সাক্ষৰতা আভৰণ—৬

হজৰত মোহাম্মদৰ (দঃ) চমু জীৱনী

লিখক :

মোহাম্মদ চাহাবউদ্দিন

এম, এ (আৰবী)

এম, এ (পাৰচী)

সামাজিক শিক্ষা বিভাগ

অসম।

প্ৰকাশক :
শ্ৰীধৰ্ম্ম দত্ত শৰ্ম্মা
ৰাজ্যিক সামাজিক শিক্ষা বিষয়া
অসম : গুৱাহাটী

১৯৬৭

মুদ্ৰক :
শ্ৰীঅৰুণচন্দ্ৰ গুহ
শ্ৰীসৰস্বু প্ৰেছ
৮নং চৌধুৰীপাৰা লেন
চাতৰা. শ্ৰীৰামপুৰ ।

যোৱা বছৰ নগাৱঁত সাক্ষৰতা অভিযান আৰম্ভ কৰা হৈছিল। এই সন্দৰ্ভত সদ্য-সাক্ষৰসকলৰ কাৰণে ইতিমধ্যে কেইবাখনো কিতাপ যুগুত কৰা হৈছে। তেওঁবিলাকৰ কাৰণে যুগুত কৰা এইখন ষষ্ঠ কিতাপ। মহাপুৰুষ মহম্মদৰ জীৱনী পঢ়ি নিশ্চয় সকলোৱে আনন্দ পাব। সাক্ষৰতা লাভ কৰি উঠিয়েই সদ্য সাক্ষৰসকলে এনেকুৱা বহুমূলীয়া জীৱনী এটি পঢ়িবৰ সুযোগ পাব। ই অতি সন্তোষৰ কথা।

সদ্য সাক্ষৰসকলে এই কিতাপখনি আগ্ৰহেৰে পঢ়িব, এই কামনা কৰিলোঁ।

শিক্ষামন্ত্ৰী, অসম
২০-১০-৬৫

বিচমিল্লাহের ৰহমানুৰ্ ৰহিম

বিশ্বপতি আল্লাহ তাৱালাই গোটেই বিশ্বব্ৰহ্মাণ্ডৰ ভিতৰত মানুহক আছৰাফুল মখলুকাত অৰ্থাৎ সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ হিচাবে পয়দা কৰিলে। নিজৰ গুণবোৰেৰে বিভূষিত কৰি তেওঁ মানুহক দুনীয়াৰ বুকুত প্ৰতিনিধি হিচাবে পঠিয়ালে। মানুহে যেন নিজৰ বিবেক বুদ্ধি আৰু জ্ঞানৰ সহায়েৰে এই মাটিৰ পৃথিবী খনক বসুন্ধৰাত পৰিণত কৰি সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ হিচাবে নিজকে পৰিচয় দিব পাৰে।

আল্লাহ তাৱালাই যি উদ্দেশ্যলৈ মানুহক পয়দা কৰিলে সেই উদ্দেশ্য সফল কৰিবলৈ চেষ্টা কৰাৰ নামেই মানবতাৰ সাধনা। সেই উদ্দেশ্য পাহৰি গৈ মানুহে যেতিয়া আন বাটে গুচি যায় তেতিয়া সি মানুহ বুলি যিমানেই পৰিচয় নিদিয়ক, সি মনুষ্যত্ব আৰু মানবতাৰ জীৱনী শক্তিৰ পৰা বহুত আঁতৰ হৈ যায়। যি জনাই তেওঁৰ সৃষ্টিকৰ্ত্তাৰ উদ্দেশ্য নিজৰ জীৱনত পৰিপূৰ্ণ ভাবে প্ৰতিফলিত কৰে তেওঁৱেই প্ৰকৃত মানুহ। এই উদ্দেশ্য সম্পাদনত যি যিমান সফলতা আৰু কৃতকাৰ্য্যতা লাভ কৰিব, আল্লাহৰ ওচৰত তেওঁ সিমানেই প্ৰিয় হব আৰু সিমানে সন্মান লাভ কৰিবলৈ সক্ষম হব। মানবতাৰ মৰ্য্যদাত তেওঁৰ

আসন সীমানেই ওপৰত। কিন্তু মানুহৰ আপোন ভোলা স্বভাৱেই হল সকলো অধঃপতনৰ মূল। মানুহে আপোন কৰ্ত্তব্য আৰু দায়িত্বজ্ঞান পাহৰি,নিজৰ ভৱিষ্যত পৰিণাম সম্বন্ধে উদাসীন হৈ নিজৰ অতীত জীৱন আৰু সৃষ্টিৰ ৰহস্য আওকাণ কৰি নিজৰ অপকাৰ নিজেই মাতি আনে। জীৱনক সাৰ্থক কৰি তুলিবলৈ হলে অতীত জীৱনৰ স্মৃতি, ভৱিষ্যতৰ লক্ষ্য আৰু বৰ্ত্তমান কৰ্ম্মৰ ওপৰত নিৰ্ভৰ কৰা দৰকাৰ। ভূত, ভৱিষ্যত আৰু বৰ্ত্তমান লৈয়েই জীৱন। যদি ইয়াৰ কিবা ব্যতিক্ৰম হয় তেন্তে জীৱনটো হব বিড়ম্বনা, সাধনা হব নিষ্ফল আৰু মানবতা হব কলঙ্কিত।

মানুহ পৃথিবীৰ বুকুত আল্লাহৰ প্ৰতিনিধি হিচাবে আহিছে আৰু এই বিশাল দুনীয়াখন তাৰ কৰ্ম্মক্ষেত্ৰ। মানুহৰ মৰ্য্যদা যে কিমান ওখ, তাৰ সন্মান যে কিমান ডাঙৰ তাক আল্লাহ তাৱালাই নিজে কৈছে—"হেৰা মানব সন্তান! মই তোমা-লোকক সকলো মখলুকাতত শ্ৰেষ্ঠ জীব হিচাবে পয়দা কৰিছো। পৃথিবীৰ সকলো সুখ-সম্পদ, ভোগৰ সকলো সাজ-সৰঞ্জাম কোনে ভোগ কৰিছে? মানুহেই নহয় জানো? কোনে দিলে তোমালোকক এইবোৰ নেয়ামত? কোনে দিলে তোমালোকক মাটিয়ে পানীয়ে, আকাশে বতাহে অবাধ অধিকাৰ? কোনে দিলে মানুহক মখলুকাতৰ শ্ৰেষ্ঠ আসন? সকলোৱে একে সুৰত উত্তৰ দিবলৈ বাধ্য হব যে পৃথিৱীৰ সকলোবোৰ নেয়ামত সেই মহান প্ৰভু খালেকুল মখলুকাত আল্লাহ তাৱালাৰ দান। কিন্তু আপোন পাহৰা মানুহ দুনীয়াৰ সম্পদত এনেকৈ বিভোৰ হৈ পৰে যে, আপোন কৰ্ত্তব্য আৰু দায়িত্বজ্ঞান পাহৰি গৈ নানা ৰকম কুকৰ্ম্মত জীৱনৰ দিনবোৰ নিয়াব ধৰে। এনেকি আপোন পোহপাল দিওঁতা আৰু পয়দা কৰোঁতা আল্লাহৰ অস্তিত্বকো

অস্বীকাৰ কৰে। ভোগ কৰিছে দাতাৰ দান কিন্তু অমান্য তেওঁৰ বিধি বিধান। এনেকুৱা মাৰাত্মক কাৰ্য্যকলাপত যেতিয়া পৃথিবীৰ বুকুখন·কঁপি উঠে তেতিয়াই আল্লাহ তাৱালাই সেই বিপথে যোৱা মানুহক সুপথে ফিৰাই অনাবলৈ যুগে যুগে বহুতো নবী আৰু ৰচুলক দুনীয়ালৈ পঠাই দিয়ে। নবী আৰু ৰচুল সকলে মানুহক উপদেশমূলক শিক্ষা দান কৰি আল্লাহ আৰু বান্দাৰ মাজত সম্বন্ধটোৰ বাটটো মুকলি কৰি দিয়ে।

এনেকৈ কালৰ গতিত মানুহে যেতিয়া কৰ্ত্তব্যৰ বাট পাহৰি অবাটে যাব ধৰিলে, আপোন দায়িত্ব পাহৰি নানা ৰকমৰ অন্যায় অত্যাচাৰ আৰু ব্যভিচাৰত ৰাতিয়ে দিনে মছগুল হৈ পৰিল তেতিয়া সেই বিপথে যোৱা মানব জাতিক সুপথে আনি স্রষ্টা আৰু সৃষ্টিৰ অৰ্থাৎ খালেক আৰু মখলু-কাতৰ মাজত সম্বন্ধ জগাই তুলি শান্তিৰ ৰাজ্য স্থাপন কৰিবলৈ আল্লাহ তাৱালাই এজন শেষ পয়গম্বৰক দুনীয়ালৈ পঠিয়ালে। সেই শেষ পয়গম্বৰৰ জীৱনটো আছিল এক আচৰিত জীৱন। এজন এটিম মাউৰা নিৰক্ষৰ ল'ৰাই জঘন্য পৰিবেশৰ মাজত ডাঙৰ দীঘল হৈ কেনেকৈ নিজৰ আত্মবিশ্বাস, দূৰদৰ্শিতা, ব্যক্তিত্ব আৰু চৰিত্ৰৰ বলত বলীয়ান হৈ প্ৰকৃত মানবতাৰ ৰূপত নিজক ৰূপায়িত কৰি দুনীয়াৰ আদৰ্শ নবী আৰু ৰচুলৰ আসন লাভ কৰিলে—সেই সম্বন্ধে আজি আপোনালোকক অলপ কব খুজিছো।

আপোনালোকে আৰব দেশৰ নাম শুনিছে। এই দেশখন সাতখন সাগৰেৰে বেৰি আছে। ভূমধ্য সাগৰ, লোহিত সাগৰ, আৰব সাগৰ, পাৰশ্য উপসাগৰ, কাস্পিয়ান সাগৰ, কৃষ্ণ সাগৰ, আৰু মৰু সাগৰেৰে যদিও বেৰি আছে তথাপি দেশখনৰ বেচি ভাগ ঠাই পাহাৰ পৰ্ব্বত আৰু মৰুভূমিৰে ভৰি আছে। উটৰ বাহিৰে সেই দেশত যাতায়াতৰ আৰু কোনো যানবাহন

নাছিল। সেই দেশৰ মানুহবিলাকৰ হৃদয়বোৰ আছিল বৰ কঠিন আৰু নিষ্ঠুৰ। দেশত লিখাপঢ়াৰ কোনো চৰ্চ্চা নাছিল। এই অজ্ঞানতাৰ বাবে সেই সময়ত আৰব দেশৰ মানুহবিলাকে পৃথিবীৰ সকলো ৰকমৰ অন্যায় অত্যাচাৰ আৰু ব্যভিচাৰত ৰাতিয়ে দিনে লিপ্ত থাকি আপোন সৃষ্টি কৰ্ত্তা আল্লাহতাৱালাকে পাহৰি গৈ, তেওঁৰ এবাদত বন্দেগী এৰিদি, নানা প্ৰকাৰ দেৱ-দেৱীৰ উপাসনা কৰিছিল। ধৰ্ম্ম-কৰ্ম্ম, বিধি-বিধান, লাজ চৰম বুলিবলৈ সিহঁতৰ একো নাছিল। ছোৱালী জন্ম হলেই জীয়াই জীয়াই সিহঁতক কবৰ দিছিল। পুত্ৰ সন্তানক দেৱ-দেৱীৰ আগত বলি দিছিল। কুসংস্কাৰ আৰু জাহেলিয়াতৰ আন্ধাৰত এনেকৈ বুৰ গৈছিল যে, হিতাহিত জ্ঞান শূন্য হৈ সিহঁতে মানবতাৰ নামত কলঙ্ক আনিছিল।

এই আৰব দেশত মক্কা আৰু মদিনা নামৰ দুখন ডাঙৰ নগৰ আছে। আজি প্ৰায় পাঁচ হাজাৰমান বছৰ আগতে হজৰত ইব্ৰাহিম আৰু তেওঁৰ পুতেক হজৰত ইচমাইল আলাই-হিমুচ চালামে আল্লাৰ এবাদত আৰু বন্দেগী কৰিবলৈ মক্কা নগৰত কাবাঘৰ নামে এটি পৱিত্ৰ আল্লাহৰ ঘৰ সাজিছিল। কালৰ সোঁতত অজ্ঞতা আৰু মূৰ্খতাৰ কাৰণে আপোন কৰ্ত্তব্য-জ্ঞান পাহৰি গৈ মানুহবিলাকে সেই পৱিত্ৰ ঘৰটিত নানা-প্ৰকাৰ দেৱ-দেৱী গঢ়ি সেইবোৰৰ পূজাপাতল কৰিবলৈ ধৰিলে। এই মক্কা নগৰৰ কোৰেছ নামৰ এজন মুখিয়াল মানুহৰ হাতত আছিল কাবা মন্দিৰটিৰ তত্ত্বাবধানৰ ভাৰ। তেওঁ মৰিলত তেওঁৰ পুতেক হাছেম আৰু তেওঁৰ পিচত হাছেমৰ পুতেক আব্দুল মোত্তালেবৰ হাতত আহে মন্দিৰটিৰ দেখা শুনাৰ দায়িত্ব। মক্কাৰ সকলো ফৈদৰ মানুহ তেওঁৰ কথামতেই চলিছিল, কাৰণ বংশ মৰ্য্যদাত তেওঁলোকেই আছিল শ্ৰেষ্ঠ।

আব্দুল মোত্তালেবৰ ওঠৰটি ল'ৰা-ছোৱালীৰ ভিতৰত তেওঁৰ নুমলীয়া পুতেক আব্দুল্লা ডাঙৰ দীঘল হলত মদিনা নগৰৰ বিখ্যাত ওহাব নাজ্জাৰিৰ নুমলীয়া জীয়েক বিবী আমেনাৰ লগত তেওঁৰ বিয়া পাতি দিলে। বিধিৰ লীলা বুজা বৰ কঠিন। বিয়াৰ কেইমাহমান পিচতেই বিশেষ আৱশ্যকত আব্দুল্লা মদিনালৈ যাব লগা হল। তাত কেইদিনমান থকাত তেওঁৰ অসুখ হল আৰু তাতেই নৰিয়াত পৰি মৰিল। তেওঁক সেই মদিনা নগৰতেই কবৰ দিয়া হয়। মৃত্যুৰ বাতৰি পাই বিবী আমেনা শোকত আকুল হৈ পৰিল। শহুৰেক আব্দুল মোত্তালেবে নানা ৰকমৰ বুজনি দি বিবী আমেনাক আদৰ মৰম কৰি নিজৰ ঘৰতেই ৰাখিলে। এনেকৈ প্ৰায় ছয়মাহ যোৱাৰ পিচত ৫৭০ খৃষ্টাব্দৰ ৰবীউল আউৱাল মাহৰ বাৰ তাৰিখ সোমবাৰৰ দিনা চুবেহ চাদেকৰ সময়ত বিবী আমেনাৰ এটি ল'ৰা জন্ম হল। ল'ৰা জন্ম হোৱা খবৰ পাই আব্দুল মোত্তালেবে প্ৰসূতি ঘৰলৈকে লৰি আহিল। চেনেহৰ নাতিয়েকক কোলাত তুলি লৈ পবিত্ৰ কাবা মন্দিৰলৈ লৈ গল আৰু আল্লাহৰ ওচৰত ল'ৰাটিৰ কাৰণে প্ৰাৰ্থনা কৰিলে। মক্কাৰ প্ৰথা অনুসৰি জন্ম হোৱাৰ দিনাই পোনাটিৰ আকিকা উৎসৱ কৰি সকলোকে ভোজভাত দিলে। খোৱাবোৱাৰ পিচত নাতিয়েকৰ নাম সোধাত আব্দুল মোত্তালেবে কলে যে, মোৰ অন্তৰৰ হেপাহ—এই পিতৃহাৰা সন্তানটি পৃথিবীৰ সকলো পিনে প্ৰশংসাৰ পাত্ৰ হৈ জাকত জিলিকি থাকক আৰু সেইবাবে তেওঁৰ নাম মই মোহাম্মদ ৰাখিছো। মোহাম্মদ শব্দটিৰ অৰ্থ "প্ৰশংসাৰ পাত্ৰ"। কোৰেছ বংশৰ মুখিয়াল চৰ্দ্দাৰবিলাকে নামটো শুনি স্তম্ভিত হল। এনেকুৱা নাম তেওঁলোকে আগেয়ে কেতিয়াও শুনা নাই আৰু নিজৰ বংশত চলি অহা নামবোৰৰ লগত ইয়াৰ

কোনো মিল নাই। যাহক খাইবই সকলোটিয়ে ঘৰমুৱা হল।

ওপজাৰ তিনিদিন পিচত আৰবৰ প্ৰথা অনুসৰি হাঁওৱাজেন বংশৰ হালিমা নামৰ এজনী ধাইয়ে কেচুৱাটিক পালিব নিলে। সেই সময়ত হাওৱাজেন বংশৰ মানুহবিলাকে বিশুদ্ধ আৰবী ভাষাত কথাবতৰা কোৱাত গোটেই আৰব দেশত বিখ্যাত আছিল। তেওঁলোকৰ মাজত মোহাম্মদে প্ৰায় চাৰে পাঁচ বছৰ পোহপাল পোৱাৰ পিচত ধাই মাক বিবী হালিমাই ল'ৰাটোক মাকৰ ওচৰলৈ আনিলে। পুতেকৰ মৰমসনা মুখখনি চাই আৰু বিশুদ্ধ ভাষাৰ শুৱলা মাতবোৰ শুনি মাকৰ যে কিমান আনন্দ, কিমান শোক, কিমান ভাবৰ ঢৌত অন্তৰ তোলপাৰ কৰিব ধৰিলে তাক লিখি শেষ কৰা টান। পুত্ৰ জন্ম হৈ বাপেকৰ মুখ দেখিবলৈ নেপালে, বাপেক জীয়াই থাকিলে আজি কিমান সুখ পালেহেঁতেন, পোনাটিক মানুহ কৰিবলৈ আজি বাপেক এই সংসাৰত নাই ভাববোৰে বুকুখন কপাই দিয়াত বিবী আমেনাৰ দুগালে চকুলো বৈ পৰিল। পুতেকক বুকুত পাই লাহে লাহে তেখেতে দুখ শোকবোৰ পাহৰিবৰ চেষ্টা কৰিলে। পাঁচমাহমান পিচত গিৰীয়েকৰ কবৰ জিয়াৰত কৰিবৰ মন কৰি আৰু লগতে আপোন পৰিয়ালৰ মানুহবিলাকৰ সৈতে দেখাশুনা কৰিবৰ হেপাহেৰে বিবী আমেনাই এজনী মাইকী মানুহ লগত লৈ পুতেকক মদিনালৈ লৈ গল। গিৰীয়েকৰ কবৰ জিয়াৰত আৰু সকলোৰে সৈতে দেখা সাক্ষাত কৰি মক্কালৈ উলটি আহোতে বাটত বিবী আমেনাৰ অসুখ হল। সেই দুৰ্গম মৰুভূমিৰ মাজত কোনো প্ৰকাৰৰ দৰব পাতিৰ ব্যৱস্থা নোহোৱাত তেখেতৰ অসুখ বেচি হৈ আবওৱা নামৰ এডোখৰ ঠাইত চেনেহৰ পুতেকক দুনীয়াৰ বুকুত এৰি থৈ মাকে চিৰদিনৰ কাৰণে বিদায় ললে। তেতিয়া

মোহাম্মদৰ বয়স মাত্ৰ ছয় বছৰ। লগত যোৱা চাকৰণী ওম্মে আয়মনে এই পিতৃ-মাতৃহীন ল'ৰাটিক বুকুত সাবটি লৈ মক্কা নগৰ পালেহি।

ওম্মে আয়মনৰ মুখত সকলো কথা শুনি বুঢ়া আব্দুল মোত্তালেবে নাতিয়েকক বুকুৰ মাজলৈ টানিলৈ আকাশৰ পিনে চাই ৰল। তেওঁৰ মনত যে কিমান ভাবৰ আবির্ভাব হল তাক আল্লাহৰ বাহিৰে কোনোৱে নাজানে। নাতিয়েকক ছাঁৰ দৰে লগতে ৰাখি দিন নিয়াব ধৰিলে। খোদাৰ মৰ্জ্জি বুজা ৰব টান। দুই বছৰ নৌহওঁতেই মৰমৰ আতায়েক আব্দুল মোত্তালেবও মৰি থাকিল। গোটেই দুনীয়া তেখেতৰ আগত যেন আন্ধাৰ হৈ পৰিল। যি মোহাম্মদক শ্ৰেষ্ঠ আদম সন্তান হিচাবে আল্লাহে পয়দা কৰিলে, যিজনাক আল্লাই নিজৰ অতি প্ৰিয়তম বন্ধু বুলি আখ্যা দিলে, যাৰ কাৰণে মহা প্ৰভুৱে সকলো বিশ্বব্ৰহ্মাণ্ড সৃষ্টি কৰিলে, যাক গোটেই বিশ্বৰ শান্তি হিচাবে পঠিয়ালে, যিজনাৰ চুপাৰিচত বাকী সকলো নবীৰচুলে মুক্তি পাব, সেই মোহাম্মদৰ জীৱনৰ আৰম্ভণিৰে এনেকুৱা ঘাত-প্ৰতিঘাতবোৰ দেখি আমি সঁচাকৈ আচৰিত হওঁ। মাতৃগৰ্ভত থাকোতেই তেখেতে পিতৃহাৰা হল। পিতৃ চেনেহৰ মৰম দূৰৰ কথা, বাপেকৰ মুখখনো জীৱনত দেখিবলৈ নেপালে। মাকৰ বুকুত কেইদিনমান শুই মৰম চেনেহৰ সোৱাদ লবলৈ নৌপাওঁতেই চেনেহৰ মাকেও এই অসহায় শিশুটিক দুনীয়াৰ সোঁতত এৰি থৈ চিৰদিনলৈ বিদায় ললে। মাতৃ বিয়োগত শোকত অস্থিৰ হৈ থাকোতেই মৰমৰ আতায়েকও গুচি গল।

এই ঘাত-প্ৰতিঘাতবোৰত নিশ্চয় আল্লাহৰ ডাঙৰ ৰহস্য লুকাই আছিল, যিবোৰক আমাৰ সাধাৰণ জ্ঞানে বুজিব নোৱাৰে। তেতিয়া মোহাম্মদৰ বয়স আঠ বছৰ মাথোন। শোকৰ ওপৰি শোক, দুখৰ ওপৰি দুখে অকণমান মোহাম্মদৰ

মনক জগতৰ শোক দুখবোৰক সহ্য কৰিবলৈ উপযুক্ত কৰি তুলিলে। শিশু মনত এই দুখ বেদনাবোৰ জাপি দি ভৱিষ্যত কৰ্ম্মক্ষেত্ৰৰ বাবে তেখেতৰ অন্তৰখন গঢ়ি তোলাই আছিল আল্লাহৰ ডাঙৰ উদ্দেশ্যে। সেয়েহে আল্লাই চুবেহচাদেকৰ ওলাই অহা পোহৰ আৰু ৰাতিৰ ঘোৰ আন্ধাৰক সাক্ষী কৰি কৈছে—"হেৰা মোহাম্মদ মই তোমাক পিতৃহীন কৰি পৃথিবীলৈ পঠিয়াইছো, তুমি যেন পৃথিবীৰ বাপেক মাক নোহোৱা সকলো ল'ৰা-ছোৱালীৰ দুখ বেদনাবোৰ অনুভব কৰিব পাৰা। আকৌ মই তোমাক অসহায় নিৰাশ্ৰয় কৰি দুনীয়ালৈ পঠিয়াইছো, তুমি যেন অসহায় দুখীৰ ব্যথা সহজেই বুজিব পাৰা। এনেকৈ দুখ বেজাৰৰ মাজেৰে ডাঙৰ দীঘল হৈ শিশু মোহাম্মদৰ চৰিত্ৰত বিশ্বপ্ৰেমৰ ভাব জাগি উঠিবলৈ ধৰিলে।

আতায়েক আব্দুল মোত্তালেব ঢুকালত মোহাম্মদে চাচায়েক আবুতালেবৰ সৈতে থাকিবলৈ ললে। আবুতালেবক সাংসাৰীক কাম বনত সহায় কৰাৰ কাৰণে তেওঁৰ লগতেই বেহাবেপাৰৰ অৰ্থে বিদেশলৈ গৈ মোহাম্মদে বাণিজ্যৰ আওভাওবোৰ শিকিলে। তেখেতে ইমান সত্যপ্ৰিয় আছিল, যে ল'ৰা কালতেই মক্কাৰ মানুহবিলাকে তেখেতক 'আল চাদেক" অৰ্থাৎ সত্যবাদী আখ্যা দিছিল। তেখেতৰ কথাবতৰা শুনি, স্বভাৱ চৰিত্ৰ দেখি সৰু ডাঙৰ সকলোৱে তেখেতক মৰম কৰিছিল। জীৱনত তেখেতে লিখাপঢ়া শিকিবলৈ সুবিধা নেপালে কাৰণ লিখাপঢ়াৰ চৰ্চ্চা সেই সময়ত আৰব দেশত নাছিল বুলিলেই হয়। এতিয়া কথা হ'ল—যি লৰাটোৱে জীৱনত এটা আখৰো পঢ়িবলৈ নিশিকিলে, তেখেতে কেনেকৈ পৃথিবীৰ ইমান ডাঙৰ পাণ্ডিত্যৰ পৰিচয় দিলে। তেখেতে কেনেকৈ গোটেইখন দুনীয়াত শ্ৰেষ্ঠ আদৰ্শ পুৰুষ বুলি আখ্যা পালে।

এইবোৰ কথা মনলৈ অহা স্বাভাৱিক। এতিয়া কওঁ শুনক। শিক্ষা সাধাৰণতে তিনি প্ৰকাৰৰ। প্ৰথম হল স্কুল কলেজত শিক্ষা গুৰুৰ ওচৰত জ্ঞান-বিজ্ঞান সম্বন্ধে শিক্ষা লাভ কৰা। দ্বিতীয় প্ৰকাৰৰ শিক্ষা হল প্ৰকৃতিৰ প্ৰতিটি বস্তু দেখি তাৰ পৰা শিক্ষা লাভ কৰা আৰু তৃতীয় প্ৰকাৰৰ শিক্ষা হল আল্লাহৰ পৰা পোনপতীয়াকৈ সকলো ৰহস্য আৰু গুপ্ত বিষয়ৰ শিক্ষা পোৱা! মোহাম্মদে যদিও স্কুলীয়া শিক্ষা লাভ কৰিবলৈ জীৱনত সুবিধা নেপালে তথাপি ধাই মাকৰ ঘৰত পোহপাল পাবৰ পৰাই তেওঁলোকৰ গৰু-ছাগলী দুম্বাউটবোৰ চৰাবলৈ গৈ পাহাৰে পৰ্ব্বতে গোটেই দিনটো ঘূৰি ফুৰিছিল। প্ৰকৃতিৰ সৌন্দৰ্য্যবোৰ চাই চাই তেখেতৰ মনটো আনন্দত নাচি উঠিছিল। সেইবোৰ দেখি তেখেতে সেই সৰু কালতেই ভাবিব ধৰিলে যে এই বিৰাট বস্তুবোৰ কোনে বনালে? যিজনে এইবোৰ পয়দা কৰিলে, নাজানো তেওঁ কিমান ডাঙৰ! কত থাকে তেওঁ? কেনেকুৱা তেওঁ? কত গলে দেখিম তেওঁক? কথাবোৰ ভাবি ভাবি তেখেতে আকাশৰ পিনে থৰ লাগি চাই থাকে।

সৰু কালৰ এই প্ৰশ্নবোৰ ডাঙৰ হোৱাৰ লগে লগে তেখেতৰ মনত বেচিকৈ প্ৰভাব বিস্তাৰ কৰে। সেয়েহে জোন বেলিৰ পৰা মানুহৰ মনক প্ৰফুল্লিত কৰিবলৈ, পাহাৰ পৰ্ব্বতৰ পৰা ধীৰ স্থিৰ হৈ থাকিবলৈ, মাটিৰ পৰা ধৈৰ্য্য ধৰিবলৈ, সাগৰৰ পৰা আপোন লক্ষ্যৰ পিনে খৰ গতিত যাবলৈ, বৰষুণৰ পৰা মৃতক জীয়াবলৈ আৰু আকাশৰ পৰা তেখেতে নিজৰ হৃদয়খনক উদাৰ কৰিবলৈ শিকিলে। প্ৰকৃতিৰ প্ৰতিটি বস্তুৰ গুণবোৰে তেখেতৰ চৰিত্ৰক বিতোপন কৰি গঢ়ি তুলিলে। দ্বিতীয়তে কেইবাবাৰো তেখেতে মেৰাজলৈ অৰ্থাৎ স্বৰ্গলৈ গৈ আমাৰ চকুৰ আঁতৰত থকা আল্লাহৰ বিভিন্ন সৃষ্টিবোৰ চাই·

অসাধাৰণ জ্ঞান লাভ কৰি সৃষ্টিৰ ৰহস্য ভেদ কৰিবলৈ সক্ষম হল। এনেকৈ মোহাম্মদে প্ৰকৃতি আৰু আল্লাহৰ পৰা জ্ঞান লাভ কৰি বিখ্যাত পণ্ডিত আৰু শ্ৰেষ্ঠ জ্ঞানীৰ আসন লাভ কৰিছিল।

ল'ৰাকালছোৱা পাৰ হৈ মোহাম্মদে যৌবনত ভৰি দিলে। মক্কাৰ মানুহৰ অন্যায় অত্যাচাৰ, ৰাতিয়ে দিনে যুঁজ-বাগৰ আৰু কুসংস্কাৰত অন্ধহৈ বেলেগ বেলেগ দেৱ-দেৱী সজাই প্ৰত্যেকে নিজৰ নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ গৈ সদায় নিজৰ মাজত হাই-কাজিয়া কাৰ অনাহকতে ধ্বংস মাতি অনা দেখি মোহাম্মদে ইয়াৰ প্ৰতিকাৰ বিচাৰি অধীৰ হৈ পৰিল। তেখেতে ভাবিলে যে মানুহ সমাজপ্ৰিয় জীৱ। সমাজক এৰি সি কেতিয়াও জীয়াই থাকিব নোৱাৰে। মানুহক ধ্বংসৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ হলে সিহঁতক সমাজৰ বান্ধনত আনিবই লাগিব। এই কথাবোৰ চিন্তা কৰি তেখেতে জ্ঞানী লগৰীয়া সকলৰ লগত মাজে সময়ে আলোচনা কৰে। শেষত মোহাম্মদৰ পৰামৰ্শ মতে লগৰীয়াবিলাকে প্ৰতিজ্ঞা কৰিলে যে সিহঁতৰ শৰীৰত শক্তি থাকে মানে সিহঁতে সমাজৰ দুৰ্নীতিবোৰ দূৰ কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিব। মোহাম্মদৰ জীৱনত এনেকৈ সমাজ গঠনৰ প্ৰেৰণা জাগি উঠিল। নিৰাশ্ৰয় মানুহক আশ্ৰয় দিয়া, দুখীয়াক সহায় কৰা, ৰোগীক সেৱা কৰা, কণাক বাট দেখুৱা, অনাহাৰীক আহাৰ দিয়া আৰু দুৰ্ব্বলক ৰক্ষা কৰাই আছিল তেখেতৰ জীৱনৰ প্ৰধান কাম। পৰৰ কাৰণে নিজক উৎসৰ্গ কৰা গুণবোৰ দেখি মক্কাৰ মানুহবিলাকে মুগ্ধ হৈ তেখেতক "আল আমীন" অৰ্থাৎ বিশ্বাসী সাধু আখ্যা দিলে। এনেকৈ নিজৰ ব্যক্তিত্ব আৰু চৰিত্ৰৰ বলত বলীয়ান হৈ মোহাম্মদে সকলোৰে অন্তৰ জয় কৰি মৰম চেনেহৰ পাত্ৰ হৈ পৰিল।

মক্কা নগৰত খোৱায়লেদ নামৰ এজন ডাঙৰ সদাগৰ আছিল। তেওঁৰ জীয়েক বিবী খদিজা সৰু কালতে বিধবা হৈ বাপেকৰ লগত থাকিবলৈ ললে। বাপেক মৰিলত বাপেকৰ ধন দৌলতেৰে তেখেতে বাণিজ্য ব্যৱসায় চলাইছিল। তেখেতৰ যেনে আছিল অগাধ সম্পত্তি, ঠিক তেনে আছিল তেখেতৰ ৰূপ-গুণ, স্বভাৱ-চৰিত্ৰ। তেখেতৰ আদৰ্শ চৰিত্ৰত মক্কাৰ মানুহ মুগ্ধ হৈ তেখেতক "আল তাহেৰা" অৰ্থাৎ সতীসাধ্বী আখ্যা দিছিল। মোহাম্মদৰ ৰূপ-গুণ, স্বভাৱ-চৰিত্ৰ, আচাৰ-ব্যৱহাৰ আৰু সমাজ গঠনৰ কথাবোৰ শুনি আৰু নিজেও তেখেতৰ সাধুতাৰ পৰিচয় পাই বিবী খদিজাই মোহাম্মদৰ চৰণত নিজক সঁপি দিবলৈ মন কৰিলে। মোহাম্মদৰ লগত তেখেতৰ বিয়াৰ প্ৰস্তাব দি বিবী নফিছা নামৰ এগৰাকী মাইকী মানুহক আবুতালেবৰ ওচৰলৈ পঠিয়ালে। প্ৰস্তাবটো শুনি আবুতালেবে বিমোৰত পৰিল কাৰণ তেওঁৰ ভতিজা মোহাম্মদৰ বয়স বিবী খদিজাৰ তুলনাত বহুতো কম। তেওঁ বিষয়টো দ'কৈ ভাবি চালে। বয়সৰ কথাটো এৰি দিলে স্বভাৱ-চৰিত্ৰত এফালে ভতিজা মোহাম্মদ যেনেকৈ বিশ্বাসী সাধু আনফালে ঠিক বিবী খদিজাও তেনেকৈ সতীসাধ্বী। এই দুটি প্ৰাণৰ মিলন বৰ মধুৰ হব ভাবিয়েই শেষত আবুতালেবে বিয়াৰ প্ৰস্তাবটোত মান্তি হল। নিৰ্দ্দিষ্ট তাৰিখত বৰ ধুমধামেৰে "আল আমান" আৰু "আল তাহেৰাৰ" বিয়া হল।

বিয়াৰ সময়ত মোহাম্মদৰ বয়স পঁচিশ আৰু বিবী খদিজাৰ বয়স চল্লিশ বছৰ আছিল। এই বিয়াখনেই আনি দিলে মোহাম্মদৰ জীৱনত ডাঙৰ এটা শান্তি। দূৰ কৰি দিলে তেখেতৰ সাংসাৰিক অভাৱ অভিযোগ। প্ৰেৰণা যোগালে তেখেতৰ মনত উপাসনা, আৰাধনা আৰু এবাদত বন্দেগীৰ। সুবিধা পালে তেখেতে দুখীৰ দুখ গুচাবলৈ আৰু শক্তি পালে সামাজিক

কুসংস্কাৰবোৰ দূৰ কৰিবলৈ। আকাশৰ জোন বেলিৰ দৰে দুয়োৰে জীৱন উৎসৰ্গা কৰিলে মানুহৰ মঙ্গলৰ কাৰণে।' প্ৰকৃততে মোহাম্মদৰ আধ্যাত্মিক জীৱনৰ বিকাশ এই সময়-চোৱাৰ পৰাই আৰম্ভ হল।

ৰাতিয়ে দিনে তেখেতে ভাবি থাকে মই কোন? মই কত আছিলো? মোক এই পৃথিবীলৈ কোনে আনিলে? মোক ইয়ালৈ কিয় আনিলে? ইয়াৰ পিচত মই কলৈ যাম? আল্লাই মানুহক কিয় পয়দা কৰিলে? মানুহৰ লগত তেওঁৰ কি সম্বন্ধ? মানুহৰ লগত মানুহৰ কি সম্বন্ধ? মানুহৰ কৰ্ত্তব্য কি ইত্যাদি প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি গোটেই ৰাতি তেখেতে সাধনাত মগ্ন হৈ থাকে। বেচি অস্থিৰ হোৱা যেন দেখিলে বিবী খদিজাই তেখেতক সান্ত্বনা দিয়ে। এনেকৈ জীৱনৰ দহটি বছৰ কাটি গল। এতিয়া তেখেতৰ বয়স পয়ত্ৰিছ বছৰ। বয়সৰ লগে লগে ভাবৰ আবেগ যেতিয়া গভীৰ হৈ উঠিল তেতিয়া মানুহৰ কোলাহলৰ পৰা আঁতৰি গৈ নিজান নিতাল ঠাইত বহি ধ্যানত মগ্ন হোৱাটোৱেই তেখেতৰ বৰ প্ৰিয় যেন লাগিল। বিবী খদিজাই সকলো সময়তেই তেখেতৰ প্ৰাণৰ খোৰাক যোগাই আছিল।

মক্কাৰ পৰা তিনি মাইল দূৰৈত থকা হীৰা নামৰ এখন পৰ্ব্বতৰ এটা নিৰ্জ্জন গুহাত বহি বহি ধ্যানত মগ্ন হৈ মোহাম্মদে একে লেথাৰিয়ে তিনি চাৰি দিন কটাই দিয়ে। বিবী খদিজাই লগত দিয়া খোৱা বস্তুখিনি শেষ হলে তেখেতে ঘৰলৈ গুচি আহে। ঘৰত কেইদিনমান থাকি অলপ খোৱা বস্তু লগত লৈ আকৌ সেই গুহাটোত বহি বহি সত্যৰ আলো বিচাৰি ধ্যান মগ্ন হৈ পৰে। তেখেতে সংসাৰ ত্যাগী সন্ন্যাসী নাছিল। তেখেতে সংসাৰৰ সকলো কৰ্ত্তব্য পালন কৰি, সংসাৰৰ লগত যোগাযোগ ৰাখি সত্যৰ সন্ধ্যানত সদায় মগ্ন

থকা বিধৰ মহাপুৰুষ আছিল। তেখেতৰ কাৰ্য্য-কলাপবোৰ দেখি সকলোৱে তেখেতক যথেষ্ট শ্ৰদ্ধা কৰিছিল।

কালৰ সোঁতত কাবা মন্দিৰটি ভাঙি যোৱা দেখি কোৰেছ বংশৰ মুখিয়াল মানুহবিলাকে টকা পইচা সংগ্ৰহ কৰি ইয়াৰ পুনৰ নিৰ্ম্মাণৰ কামত হাত দিলে। কাম প্ৰায় শেষ হওঁ হওঁ হলহি এনেতে প্ৰশ্ন উঠিল "হজৰে আচওয়াদ" অৰ্থাৎ পৱিত্ৰ কৃষ্ণ পাথৰটিৰ বিষয়। অতীজৰে পৰা কাবা মন্দিৰত থকা এই হজৰে আচওয়াদটিক সৰু ডাঙৰ সকলোৱে সন্মান দেখুৱাই চুমা খাইছিল। কথিত আছে যে, হজৰত আদম আলাইহেচ চালামে বেহেস্তৰ পৰা ওলাই আহোতে বেহেস্তৰ চিন হিচাবে এই পাথৰটি লগত লৈ আহিছিল। এই পৱিত্ৰ হজৰে আচওয়াদটিক উঠাই নি নতুনকৈ সজা মন্দিৰটিৰ নিৰ্দ্দিষ্ট ঠাইত যি জনে বহুৱাব তেওঁৱেই বিশেষ সন্মানৰ অধিকাৰী হব। এই বিশেষ সন্মান লাভ কৰিবলৈ প্ৰত্যেক ফৈদেই উঠি-পৰি লাগিল। চাৰি দিনলৈকে কিমান সভা-সমিতি কৰাৰ পিচতো কোনো মীমাংসাত উপনীত হব নোৱাৰিলে।

অৱশেষত বিভিন্ন দলপতিবিলাকে থিৰ কৰিলে যে, তৰোৱালৰ বলেৰে যিজনে নিজৰ বীৰত্ব দেখুৱাব পাৰিব তেওঁৱেই হজৰে আচওয়াদটো দাঙি নি তাৰ নিৰ্দ্দিষ্ট ঠাইত বহুৱাব। যেনে কথা তেনে কাম। মক্কা নগৰৰ চাৰিওপিনে ৰণ-হুঙ্কাৰ বাজ উঠিল। প্ৰতেক ফৈদৰ মানুহবিলাকে তৰোৱালৰ শক্তি দেখুৱাবলৈ আগবাঢ়ি আহিল। ৰাতিপুৱা মোহাম্মদে কাবা মন্দিৰত উপাসনা কৰিবলৈ গৈ দেখিলে যে, অৱস্থা ভীষণ। কাৰণ সুধিলত মুখিয়াল মানুহবিলাকে সমিতিৰ সিদ্ধান্তৰ কথা ভাঙিপাতি তেখেতক কলে। অনাহকত ইমানবোৰ জীৱন নষ্ট হব ভাবি মোহাম্মদ চিন্তিত হল। অলপ পৰ মনে মনে থাকি তেখেতে মুখিয়ালবিলাকক তৰোৱালৰ যুদ্ধ বন্ধ কৰিবলৈ

কলে। আপোনালোকৰ প্ৰত্যেক ফৈদৰ একজনকৈ মুখিয়াল মানুহ মোৰ ওচৰলৈ আহক। মোহাম্মদক মক্কাৰ সৰু ডাঙৰ সকলো মানুহে বিশ্বাসী সাধু বুলি আগৰ পৰাই যথেষ্ট সন্মান কৰিছিল। তেখেতে কোৱাৰ লগে লগে যুঁজ এৰি মুখিয়াল-বিলাক আগবাঢ়ি আহিলত মোহাম্মদে মাটিত চাদৰ পাৰি পৱিত্ৰ হজৰে আচওয়াদটি দাঙি আনি চাদৰখনৰ ওপৰত থলে। প্ৰত্যেক ফৈদৰ মুখিয়ালবিলাকক চাদৰখনত ধৰি পৱিত্ৰ পাথৰটিক নতুনকৈ সজা কাবা মন্দিৰটিৰ নিৰ্দ্দিষ্ট ঠাইলৈ দাঙি নিবলৈ কলে। তেখেতৰ দিহা মতে সকলোৱে আনন্দ মনেৰে হজৰে আচওয়াদটি কাবা মন্দিৰৰ ভিতৰলৈ নিলে। মোহাম্মদে তেতিয়া চাদৰখনৰ পৰা পৱিত্ৰ পাথৰটি তুলি নি তাৰ নিৰ্দ্দিষ্ট ঠাইত বহুৱাই দিলে। মোহাম্মদৰ বিচক্ষণতাৰ ফলত সেই হবলগীয়া ৰক্তপাতৰ পৰা ৰক্ষা পাই মক্কাৰ মানুহ-বিলাকে সন্তোষ মনেৰে ঘৰলৈ উলটি গল। তেখেতৰ এই বিচক্ষণতা আৰু দূৰদৰ্শিতাৰ কথা বুৰঞ্জীৰ পাতত চিৰদিনলৈ জিলিকি থাকিব।

সংসাৰৰ লগত যোগাযোগ ৰাখি আজৰি সময়ত ধ্যানত মগ্ন হৈ জীৱনৰ আৰু পাঁচোটি বছৰ কাটি গল। এতিয়া তেখেতৰ বয়স চল্লিশ বছৰ। এনেতে ৬১০ খৃষ্টাব্দত সেই হীৰা পৰ্ব্বতৰ গহীন গুহাত ধ্যান মগ্ন মোহাম্মদৰ ওপৰত অহি বা আল্লাৰ বাণী নাজেল হল। আল্লাহৰ তৰফৰ পৰা এই অবতীৰ্ণ হোৱা পৱিত্ৰ বাণীবোৰেই কোৰাণ শ্বৰিফ। কোৰাণ শ্বৰিফৰ বিষয়ে পিচৰ ফালে চমুকৈ বৰ্ণনা কৰিম। তেখেতে আল্লাহৰ পৰা অহি পাই নবুয়ত লাভ কৰিলে। জ্ঞান বৃদ্ধি হবৰে পৰা তেখেতে বিচাৰি থকা জটিল সমস্যাবোৰৰ সন্ধানৰ ইঙ্গিত পাই তেখেতৰ উত্তপ্ত মন শান্ত হল। হীৰা পৰ্ব্বতৰ গুহাৰ পৰা ওলাই আহি মানুহৰ মাজত প্ৰেম, সাম্য আৰু

বিশ্বভ্রাতৃত্বৰ সুৰ বজাই তেখেতে কব ধৰিলে—“হেৰা মানৱ জাতি, দুনীয়াৰ যিবোৰ শক্তি আৰু সৌন্দৰ্য্য দেখিছা, যিবোৰ সুখ-সম্পদ উপভোগ কৰিছা, এই সকলোবোৰ সেই মহান খোদাৰ নেয়ামত। তেওঁৰেই আদি তেওঁৰেই অন্ত। তেওঁৰেই মহান তেওঁৰেই শ্ৰেষ্ঠ। তেওঁৰ কোনো অংশীদাৰ বা ছৰিক নাই। তেওঁৰ মহিমাতেই গোটেই জগতে পোহপাল পাইছে আৰু তেওঁৰ মেহেৰবাণীতেই আমি সকলোটিয়েই জীয়াই আছোঁ। তেওঁৰ বাহিৰে সকলো অসাৰ, সকলো মিছা। গতিকে তেওঁৰ বাহিৰে উপাস্য কোনো নাই।” নবুয়ত পোৱাৰ পিচত তেখেতৰ সন্মানাৰ্থে “হজৰত” শব্দটোক তেখেতৰ নামৰ আগত ব্যৱহাৰ কৰা হয়। তেখেতৰ নাম শুনিলে নাইবা পঢ়িলে তেখেতৰ ওপৰত দৰুদ আৰু চালাম পঢ়া ওৱাজেব অৰ্থাৎ বাঞ্ছনীয় “আল্লাহুন্মা” চাল্লে আলা চৈয়দেনা মওলানা মোহাম্মদ ওৱা বাৰেক ওৱা চাল্লেম”।

হজৰত মোহাম্মদে (দঃ) আল্লাহৰ হুকুম মতে পৱিত্ৰ কোৰাণৰ বাণীবোৰ প্ৰচাৰ কৰাৰ লগে লগে আৰবৰ বুকুত যেন জুই জ্বলি উঠিল। মক্কাৰ মুখিয়াল মানুহবিলাকে দলে দলে আহি হজৰতক কলে যে, আপুনি আমাৰ ধৰ্ম্মৰ বিৰুদ্ধে, আমাৰ দেৱ-দেৱীৰ বিৰুদ্ধে, আমাৰ ৰীতি-নীতিৰ বিৰুদ্ধে, আপোনাৰ এই অপপ্ৰচাৰবোৰ সোনকালে বন্ধ কৰক নহলে ইয়াৰ পৰিণাম বৰ বেয়া হব। হজৰতে সিহঁতৰ কথা শুনি সিহঁতক বুজাব ধৰিলে আৰু খালেকুল মখলুকাত আল্লাহ তাৱালাৰ কথা দ’কৈ ভাবি চাবলৈ কলে। ‘আপোন অহঙ্কাৰ আৰু গৰ্ব্বত অন্ধ হৈ থকা মুখিয়ালবিলাকে তেখেতৰ কথাত কাণ নিদি গুচি গল। হজৰতে আল্লাহৰ নিৰ্দ্দেশ অনুসৰি বিপথে যোৱা মানৱ জাতিক সুপথে আহিবলৈ উপদেশ দি গৈ থাকিল। তিনি বছৰৰ ভিতৰত ভালেমান গুণী-মানী

মানুহে তেখেতে প্ৰচাৰ কৰা আল্লাহৰ বাণীবোৰৰ সত্যতা উপলব্ধি কৰি তেখেতক আল্লাহৰ ৰচুল বুলি মানি ললে। সিহঁতৰ মাজত চলি অহা বেয়া ৰীতি-নীতিবোৰ ত্যাগ কৰি এক আল্লাহৰ বন্দেগীত লাগি গল।

হজৰত মোহাম্মদে (দঃ) প্ৰচাৰ কৰা ধৰ্ম্মৰ নাম ইচলাম। ইচলাম শব্দৰ অৰ্থ শান্তি, শৃঙ্খলা আৰু আল্লাহৰ ওচৰত আনুগত্য স্বীকাৰ কৰা। যিজনাই গোটেই মখলুকাত পয়দা কৰিলে, সকলো প্ৰকাৰৰ সুখ-সম্পদ দান কৰিলে, যিজনাৰ কৰুণাত মানুহে শক্তি সামৰ্থ্য লাভ কৰি আজি পৃথিবীৰ বুকুত সন্মানৰ আসন অধিকাৰ কৰি বহি আছে, সেই জনাই দিয়া বিধি-বিধানবোৰ মানি চলিলে প্ৰকৃত মুক্তিৰ পথত আগবাঢ়ি গৈ মানুহে শান্তি লাভ কৰিব পাৰে। সেই মহান প্ৰভু বিশ্বৰ গৰাকী আল্লাহ তাৱালাৰ আদেশ অনুসৰি নিজৰ কৰ্ত্তব্য পালন কৰাৰ নামেই আনুগত্য নাইবা ইচলাম। মালিকৰ নিমক খাই তেওঁৰ সৃষ্টিৰ সকলোকে মৰম চেনেহৰ চকুৰে চোৱাটোৱেই ইচলাম। সেই সৰ্ব্বশক্তিমান আল্লাহৰ পৰা শক্তি লাভ কৰি তেওঁৰ সৃষ্টিৰ মঙ্গলৰ কাৰণে সেই শক্তিৰ প্ৰয়োগ কৰাৰ নামেই ইচলাম। যি বিলাকে এই ধৰ্ম্মত ঈমান আনি আল্লাহ আৰু তেওঁৰ ৰচুলৰ আদেশ অনুসৰি জীৱনৰ আপোন কৰ্ত্তব্যবোৰ পালন কৰি মানৱতাৰ পৰিচয় দিয়ে ; তেওঁলোকক মুচলিম বা মুচলমান বোলে।

মানুহক উপদেশ দি হজৰত মোহাম্মদে (দঃ) কৈছে যে, "মান আৰাফা নফচাহু ফাকাদ্ আৰাকা ৰাব্বাহু" অৰ্থাৎ যিজনে নিজক চিনিছে, নিজৰ অস্তিত্বৰ মূল্য বুজিব পাৰিছে, আপোন কৰ্ত্তব্য আৰু দায়িত্বজ্ঞান উপলব্ধি কৰিব পাৰিছে, তেওঁৱেই তেওঁৰ পোহপাল দিওঁতা আল্লাহক চিনিব পাৰিছে। সাধাৰণতে আমি যি কোনো বস্তুকে চকুৰে দেখিলে চিনি

পাওঁ। যিটো অদৃশ্য, চকুৰে দেখা নেযায় তাক দেখিবলৈ আৰু চিনিবলৈ হলে অন্তৰৰ চকুৰে চাব লাগিব। কিন্তু অন্তৰখন এনে আন্ধাৰ ঠাইত আছে যি ঠাই বেলিৰ পোহৰে আলোকিত কৰিব নোৱাৰে। অন্তৰৰ চকু খুলিব লাগে শিক্ষাৰ আলোৰে, জ্ঞানৰ পোহৰেৰে। সেইবাবে হজৰত মোহাম্মদ (দঃ) জ্ঞান অৰ্জ্জনৰ ওপৰত বিশেষ জোৰ দি কৈছে যে, বিদ্যাশিক্ষা কৰা প্ৰত্যেক মুচলিম মতা-মাইকীৰ ওপৰত ফৰজ। বিদ্যা শিক্ষাৰ কাৰণে নিজৰ দেশ এৰি যদি সুদূৰ বিদেশলৈও যাবলগীয়া হয়, তথাপি ঘৰ এৰি বিদেশলৈ গৈ বিদ্যা শিক্ষা কৰিবা, কাৰণ বিদ্যাহীন মানুহ পশুৰ সমান।

তেখেতে মানব জাতিক বুজাই বুজাই কব ধৰিলে যে, জ্ঞান অৰ্জ্জন নকৰিলে কোনোৱেই নিজৰ মূল্য বুজিব নোৱাৰে আৰু নিজৰ মূল্য বুজিব নোৱাৰিলে সি আন মানুহৰ মূল্য কেতিয়াও উপলব্ধি কৰিব নোৱাৰে। মূৰ্খ মানুহে কেতিয়াও আল্লাহক চিনি নেপায়। গতিকে যিকোনো অৱস্থাতেই বিদ্যা শিক্ষা কৰা ফৰজ। জ্ঞান অৰ্জ্জন নকৰিলে কোনোৱেই প্ৰকৃত মুচলমান হব নোৱাৰে। পৃথিবীৰ সকলো দেশতে যেতিয়া ধৰ্ম্মৰ পুৰোহিত বিলাকে নিজ স্বাৰ্থ সিদ্ধিৰ কাৰণে "মূৰ্খতাক অৰ্চ্চনাৰ প্ৰসূতি" বুলি আখ্যা দিছিল, তেওঁলোকৰ বাহিৰে জ্ঞান অৰ্জ্জন কৰা মহাপাপ বুলি সাধাৰণ মানুহক ধৰ্ম্মগ্ৰন্থবোৰ চুবলৈ নিদিছিল, তেওঁলোকৰ লৰা-ছোৱালীৰ বাহিৰে অইন মানুহক বিদ্যা শিকিবলৈ নিষেধ কৰিছিল, ঠিক সেই সময়তে হজৰত মোহাম্মদে (দঃ) মূৰ্খতাৰ গুৰিত কুঠাৰাঘাত কৰি নিৰক্ষৰতা দূৰ কৰিলে।

জ্ঞান অৰ্জ্জনৰ উদগনি দি হজৰতে মানব জাতিক বুজাবলৈ ধৰিলে যে, বিদ্বানৰ চিয়াহী শ্বহীদৰ তেজতকৈও পৱিত্ৰ অৰ্থাৎ ধৰ্ম্মযুদ্ধত প্ৰাণ দিয়াতকৈ লিখা পঢ়াত লাগি থকা বেচি পুণ্যৰ

কাম। হাজাৰ ৰাকাত নকল নামাজ পঢ়াতকৈ অলপ সময়ৰ কাৰণে জ্ঞান বিজ্ঞানৰ চৰ্চ্চা কৰা শ্ৰেয়ঃ। জ্ঞানীৰ লগত অলপ সময় বহি জ্ঞানৰ আলোচনা কৰা, গোটেই ৰাতিৰ এবাদতকৈ ভাল। যিজনে জ্ঞান বিজ্ঞান অৰ্জ্জন কৰিছে তেওঁৱেই কৃত-কাৰ্য্যতা লাভ কৰিছে। লিখাপঢ়া আৰু জ্ঞান অৰ্জ্জনত যি সকলে জীৱন অতিবাহিত কৰে তেওঁলোকৰ কাৰণে বেহেস্তৰ দুৱাৰ খোলা থাকে। আল্লাহ তাৱালা জ্ঞানী, গতিকে তেওঁ মূৰ্খক ভাল নেপায়। প্ৰকৃততে জ্ঞান বিজ্ঞানেই মুক্তিৰ পথ মুকলি কৰি দিয়ে। অজ্ঞান মূৰ্খই কেতিয়াও মুক্তি বা নেজাত নেপায়। জ্ঞান চাকিৰে যিজনে অন্তৰখনক আলোকিত কৰিব নোৱাৰে, তেনে মানুহৰ জীৱন আন্ধাৰ আৰু তেনে জীৱনৰ কোনো মূল্য নাই।

হজৰত মোহাম্মদে (দঃ) প্ৰচাৰ কৰা ইচলাম ধৰ্ম্মত দেশ-বিদেশৰ মানুহে দলে দলে আহি ঈমান আনিলে। তাকে দেখি মক্কাৰ মুখিয়াল চৰ্দ্দাৰবিলাকৰ হিংসা আৰু খঙৰ প্ৰকোপ বাঢ়ি গল। বিবী খদিজা আৰু আবুতালেবৰ দৰে পৃষ্ঠপোষক থকাৰ কাৰণে হজৰতৰ একো অনিষ্ট কৰিবৰ সাহ নেপাই সিহঁতে তেখেতৰ ভক্ত আৰু শিষ্যবিলাকৰ ওপৰত অমানুষিক অত্যাচাৰ চলাবলৈ ধৰিলে। হজৰতে এইবোৰ দেখি শুনি মনত বৰ বেজাৰ পালে। নবুয়তৰ পঞ্চম বছৰ অৰ্থাৎ ৬১৫ খৃষ্টাব্দত গৰীব দুখীয়া ভক্তবিলাকক মক্কা নগৰ এৰি আবি-ছিনিয়াৰ নাজ্জাছি ৰজাৰ আশ্ৰয় লবলৈ উপদেশ দিলে। তেখেতৰ উপদেশ মতে বেচি ভাগ মুচলমানে আবিছিনিয়ালৈ গুচি গল।

গুচি যোৱা খবৰ পাই কোৰেছ চৰ্দ্দাৰবিলাকে নাজ্জাছি ৰজাৰ ওচৰলৈ দূত পঠিয়াই দি সেই পলাই যোৱা মক্কাৰ মানুহবিলাকক তেওঁৰ দেশৰ পৰা উলিয়াই দিবলৈ অনুৰোধ

জনালে। কোৰেছ দূতৰ আবেদন শুনি মক্কাৰ পৰা অহা মানুহবিলাকক ৰজাই মতাই আনিলে। মুচলমানবিলাকে নিজৰ দেশ এৰি তেওঁৰ ৰাজ্যত আশ্ৰয় লোৱাৰ কাৰণ সোধাত হজৰত আলীৰ ভায়েক জাফৰে (ৰাঃ) উত্তৰত কলে যে, মহাৰাজ আপুনি ভালকৈ জানে আমি মক্কা নগৰৰ মানুহ। আমাৰ মাজত শিক্ষা-দীক্ষা বুলিবলৈ একো নাই। এই মূৰ্খতাৰ কাৰণে আমি আমাৰ সৃষ্টিকৰ্ত্তা আল্লাহতাৱালাক পাহৰি গৈ নানা প্ৰকাৰ দেৱ-দেৱীৰ পূজা-পাতল কৰিছিলোঁ। অজ্ঞানতাৰ বাবে মৰা পশুৰ মঙহ খোৱা, ছোৱালী জন্ম হলেই জীয়াই জীয়াই মাটিত পুতি থোৱা, পুত্ৰ সন্তানক দেৱতাৰ আগত বলি দিয়া, দুৰ্ব্বলৰ ওপৰত অত্যাচাৰ আৰু ওচৰ চুবুৰীয়াৰ অনিষ্ট সাধন কৰা, কথায় কথায় যুঁজ বাগৰ কৰা, মিছা কথা কোৱা, সত্যৰ অপলাপ কৰা, মদ খাই হিতাহিত জ্ঞান শূন্য হৈ পৃথিবীৰ সকলো প্ৰকাৰৰ অপকৰ্ম্ম আৰু ব্যভিচাৰত লিপ্ত হোৱাই আছিল আমাৰ ঘাই কাম। এনেতে আমাৰ মাজত এনে এজন আদৰ্শ পুৰুষৰ আবিৰ্ভাব হল যিজনে আমাক সত্যৰ সন্ধান দি মুক্তিৰ পথ দেখুৱাই দিলে।

নাজ্জাছি ৰজাই জাফৰৰ (ৰাঃ) কথাবোৰ শুনি সুধিলে, হেৰা জাফৰ, কোৱাচোন বাৰু তোমালোকক তেখেতে কেনেকৈ সত্যৰ সন্ধান দিলে। উত্তৰত জাফৰে কলে— মহাৰাজ, সেই আদৰ্শ মহাপুৰুষজনৰ নাম হজৰত মোহাম্মদ (দঃ)। যেনে তেখেতৰ নাম, তেনে তেখেতৰ কাম। তেখেতে গোটেই মানব জাতিক সম্বোধন কৰি কলে যে— হেৰা মানব জাতি, যিজনাই জোন-বেলি, মানব-দানব, আকাশ-বতাহ, নদ-নদী, পাহাৰ-পৰ্ব্বত, চৰাই-চিৰিকটি আৰু পৃথিবীৰ সকলো বস্তুকে সৃষ্টি কৰিলে, সেই মহান প্ৰভু খালেকুল মখলুকাত আল্লাহতাৱালাইহে একমাত্ৰ উপাস্য।

তেওঁৰেই আদি, তেওঁৰেই অন্ত। তেওঁৰেই সত্য তেওঁৰেই অদ্বিতীয়। তেওঁৰ কোনো ছৰিক বা অংশীদাৰ নাই। গতিকে নিজ হাতেৰে সজা দেৱ-দেৱীবোৰৰ উপাসনা কৰি চিৰসুন্দৰ প্ৰকৃত মালিকৰ অৱমাননা নকৰিবা। জীৱনত কেতিয়াও মিছা কথা নকবা, দুৰ্ব্বল আৰু ওচৰ চুবুৰীয়াৰ ওপৰত অনাহকতে অত্যাচাৰ নকৰিবা। ঘীণ লগা বেয়া কামৰ পৰা সদায় আঁতৰত থাকিবা। মহাপ্ৰভু আল্লাহতাৱালা, যিজনাই আমাক সকলো নিয়মমতে দান কৰিছে সেই শ্ৰেষ্ঠ প্ৰভুৰ চুকুৰীয়া আদায় কাৰ তেওঁৰ আদেশ অনুসৰি নিজ কৰ্ত্তব্য পালন কৰি মানবতাৰ মান ওখ কৰিবলৈ সকলোৱে যত্ন কৰা উচিত। তেখেতৰ উপদেশপূৰ্ণ বাণীবোৰৰ সত্যতা উপলব্ধি কৰি আমি তেখেতক হজৰত ঈচ্ছা (আঃ) আৰু হজৰত মুচাৰ (আঃ) দৰে আল্লাহৰ ৰচুল বুলি বিশ্বাস কৰিলোঁ। বশ্বৰ একমাত্ৰ অধিপতি আল্লাহৰ ওপৰত ঈমান আনি তেওঁৰ আদেশমতে সকলো বেয়া ৰীত-নীতিবোৰ ত্যাগ কৰি এক আল্লাহৰ উপাসনাত মন দিলো। আমি এই ইচলাম ধৰ্ম্মত দীক্ষা লোৱাৰ বাবে কোৰেছ চৰ্দ্দাৰবিলাকে আমাৰ ওপৰত অমানুষিক অত্যাচাৰ কৰিবলৈ ধৰিলে। তেওঁলোকৰ জুলুমত তিষ্ঠিব নোৱাৰি নিজ মাতৃভূমিৰ মোহ এৰি আপোনাৰ আশ্ৰয় লবলৈ বাধ্য হৈছোঁ। মহাৰাজ—আপুনি ন্যায়পৰায়ণ বিচক্ষণ পুৰুষ। আশাকৰোঁ আপোনাৰ আশ্ৰয়ৰ পৰা আমাক বিমুখ নকৰিব। জাফৰৰ সুললিত ভাষাৰে কোৱা তথ্যপূৰ্ণ কথাবোৰ শুনি নাজ্জাছি ৰজা মুগ্ধ হল। কোৰেছ দূতক তিৰষ্কাৰ কৰি তেওঁৰ ৰাজ্যৰ পৰা খেদি দিলে আৰু মুচলমানবিলাকক নিৰ্ভয়ে তেওঁৰ দেশত থাকিবলৈ কলে।

কোৰেছ দূত মক্কালৈ উলটি আহি সকলো কথা কোৱাত কোৰেছ চৰ্দ্দাৰবিলাকে লাজ পাই খঙত জ্বলি উঠিল।

হজৰতৰ ভক্ত আৰু শিষ্যবিলাকক নেপাই হজৰতৰ ওপৰত সিহঁতৰ আক্রোশ বাঢ়ি গল। কি উপায়েৰে হজৰত মোহাম্মদক (দঃ) ধৰ্ম্ম প্রচাৰৰ পৰা বিৰত ৰাখিব পাৰি সেই লৈ মক্কাৰ ৰাইজ বিব্রত হৈ পৰিল। ইতমধ্যে হজৰত ওমৰ (ৰাঃ) আৰু আমীৰহামজা (ৰাঃ) ইত্যাদৰ দৰে ভালেমান গণ্য-মান্য বাৰ পুৰুষে ইচলাম ধৰ্ম্মত ঈমান আনি হজৰতক শক্তি যোগালে। ইমানাদনে মুচলমানসকলে ধৰ্ম্মৰ কামবোৰ লুকাই চুৰকৈ কৰিছিল কিন্তু হজৰত ওমৰে (ৰাঃ) ইচলাম ধৰ্ম্ম গ্রহণ কৰাব পিচৰ পৰাই নামাজ তলাজ আদি ধৰ্ম্মৰ সকলোবোৰ কাম-কাজ প্রকাশ্যভাবে কৰিবলৈ ধৰিলে। হজৰতৰ ৰেচালত বা মিছন পূৰ্ণ উদ্যমেৰে চলি থাকিল।

দিনকদিনে মুচলমানৰ সংখ্যা বাঢ়ি যোৱাত মক্কাৰ মুখিয়াল চৰ্দ্দাৰাবলাকে এখন সভা পাতি হজৰতৰ পৰিয়াল আৰু নতুনকৈ ইচলাম ধৰ্ম্মত দীক্ষা লোৱা মানুহবিলাকক এঘৰীয়া কৰাৰ প্রস্তাব ললে। এই প্রস্তাব অনুসৰি তেখেতসকলৰ লগত মক্কাৰ ৰাইজে খোৱা-লোৱা, বেচা-কিনা, বিয়া-বাৰু, দিয়া-থোৱা আৰু কথা-বতৰা সকলো বন্ধ কৰি দিলে। এই প্রস্তাব পত্রখন কাবা মন্দিৰৰ দুৱাৰত ওলোমাই থৈ ঠিক সেইমতে কাম কৰিবলৈ সকলোৱে প্রতিজ্ঞাবদ্ধ হল। অৱস্থা বেয়ালৈ যোৱা দেখি আবুতালেবে নিজৰ পৰিয়ালৰ সকলোকে আৰু ইচলাম ধৰ্ম্মত দীক্ষিত হোৱা হজৰতৰ ভক্ত আৰু শিষ্যবিলাকক লগত লৈ মক্কাৰ কেইমাইলমান আঁতৰত দুখন পৰ্ব্বতৰ মাজত থকা তেওঁৰ এখন নিজা পামলৈ গুচি গল। অতিপাত দুখ কষ্টৰ মাজেৰে তেওঁলোকে তাত তিনিটা বছৰ কটালে। তেতিয়া হজৰতৰ বয়স পঞ্চাচ বছৰত সোমাল। তেখেতৰ আত্মবিশ্বাস, ধৈৰ্য্য আৰু মনৰ বল দেখি সকলোৱে অবাক হৈ কব ধৰিলে "ধন্য মহাপুৰুষ, ধন্য আপোনাৰ জন্ম,

ধন্য আপোনাৰ ত্যাগ আৰু সাধনা। ধন্য আপোনাৰ উপাসনা-আৰাধনা। লাখো চুক্ৰীয়া সেই আল্লাহতাৱালাৰ যিজনাই আপোনাক এনে শক্তি দান কৰিলে।

ইমানবিলাক আপোন মানুহ নিজৰ ঘৰদুৱাৰ এৰি পৰ্ব্বতৰ উপত্যকা এটাত দুখ কষ্টৰ মাজেৰে এনেকৈ দিন নিয়াব লগা হোৱাত মক্কাৰ কিছুমান জ্ঞানী বিবেচক মানুহৰ অন্তৰ কান্দি উঠিল। তেওঁলোকৰ মাজৰ মোতায়েম নামৰ এজন সাহসী বীৰে কেজনমান ডেকাক লগত লৈ কাবা মন্দিৰৰ দুৱাৰ-দলিত ওলোমাই থোৱা এঘৰীয়া কৰা প্ৰতিজ্ঞাপত্ৰখন ছিঙি পেলালে। তাৰ পৰা পোনেই সেই উপত্যকালৈ গৈ দুটা পৰ্ব্বতৰ মাজত থকা মানুহবিলাকক মক্কালৈ ফিৰাই আনি নিজৰ নিজৰ ঘৰলৈ যাবলৈ কলে। সেই দুৰ্গম পৰ্ব্বতৰ উপত্যকাৰ পৰা ওলাই অহাৰ কেইমাহমান পিচতেই হজৰতৰ প্ৰিয়তমা পত্নী, বিপদৰ সাৰথি, দুখৰ দৰদী, মোমেন সকলৰ জননী, হজৰত বিবী খদিজা (ৰাঃ) ৬২০ খৃষ্টাব্দত ওফাত হল। মৃত্যুৰ সময়ত তেখেতৰ বয়স পয়ষষ্টি বছৰ হৈছিল। তেখেতৰ দৰে গুণবতী, ভাগ্যবতী তিৰোতা কমেই উপজিছে। সঁচাকৈ তেখেত আদৰ্শ মহিলা আছিল। হজৰতৰ মুখৰ পৰা আল্লাহৰ পৱিত্ৰ বাণীবোৰ শুনি মাইকী মানুহৰ ভিতৰত তেওঁৱেই প্ৰথম ইচলাম ধৰ্ম্ম গ্ৰহণ কৰে। বিবী খদিজাৰ (ৰাঃ) দৰে আদৰ্শ ৰমণীক জীৱনৰ লগৰীয়া হিচাবে হেৰুৱাই হজৰতে অধীৰ হোৱাটো একো অস্বাভাবিক নহয়। মুহূৰ্ত্তৰ বাবে দুনীয়াখন আন্ধাৰ যেন দেখিলে।

কথাতেই কয় যে, বিপদ অকলে নাহে। উম্মুল মোমেনীন অৰ্থাৎ বিশ্বাসী সকলৰ জননী বিবী খদিজাই (ৰাঃ) হজৰতক এৰি যোৱাৰ এমাহ পাঁচ দিন পিচতেই হঠাৎ তেখেতৰ মূৰৰ ছাতি, কণ্টকৰ লাঠি, হজৰত আলীৰ (ৰাঃ) বাপেক আবু-

তালেবও মৰি থাকিল। এটাৰ পিচত আনটো বিপদ যদিও এনেকৈ আহিলে তথাপি পৃথিবীৰ এই জৰা, মৃত. ৰোগ, শোকে হজৰতক আপোন কৰ্ত্তব্যৰ পৰা বিচলিত কৰিব নোৱাৰিলে। তেখেতৰ সাধনা, আৰাধনা এবাদত বন্দেগী নিয়মিত ভাবে চলি থাকিল। অবাটে যোৱা মানুহক আল্লাহৰ আদেশ অনুসৰি উপদেশ দি সুপথে অনাৰ ব্যৱস্থাত তেখেতে পূৰ্ণ উদ্যমেৰে আত্ম নিয়োগ কৰিলে ভক্ত আৰু শিষ্যবিলাকে তেখেতৰ জীৱনৰ আদৰ্শ আৰু কৰ্ত্তব্যপৰায়ণতা দেখি স্তম্ভিত হল।

হজৰত মোহাম্মদৰ (দঃ) পৃষ্ঠপোষক বিবী খদিজা (ৰাঃ) আৰু আবুতালেব মৰিলত মক্কাৰ কোৰেছবিলাকে তেখেতৰ ওপৰত অত্যাচাৰ চলাবলৈ চল পালে। মক্কাত এনেকুৱা অৱস্থা দেখি হজৰতে তায়েফ নগৰলৈ গৈ আল্লাহৰ বাণী প্ৰচাৰ কাৰ তাৰ মানুহবিলাকক সত্য ধৰ্ম্মৰ বাটত মাতিবলৈ ধৰিলে মূৰ্খতা আৰু অজ্ঞানতাৰ আন্ধাৰত পৰি তায়েফ নগৰৰ মানুহবিলাকেও হিতাহিত জ্ঞান শূন্য হৈ নানা প্ৰকাৰৰ কুসংস্কাৰত লিপ্ত আছিল। মক্কাৰ দৰে বেলেগ বেলেগ দেৱ-দেৱী সাজি সেইবোৰৰ উপাসনা কৰিছিল। এইবোৰ কাৰণত তায়েফ নগৰৰ মানুহবিলাকেও হজৰতৰ উপদেশ বাণীবোৰত বিশেষ কাণ নিদিলে। তেখেতৰ কথাবোৰৰ প্ৰতিবাদ কৰি বলীয়া মানুহক খেদি নিয়াৰ দৰে তায়েফৰ মানুহবিলাকে হজৰতক বাটে বাটে খেদিব ধৰিলে। সিহঁতৰ অন্যায় অত্যাচাৰবোৰ নীৰবে সহ্য কৰি তেখেতৰ প্ৰচাৰ কাৰ্য্য দ্বিগুণ সাহেৰে চলাই থাকিল। অতি কষ্টেৰে তায়েফ নগৰত পোন্ধৰদিনমান থাকি হজৰতে মক্কা নগৰলৈ গুচি আহিল।

মক্কাত আহিও সেই একে অৱস্থা। তেখেতৰ নিজৰ চাচায়েক আবুজাহেল, আবুলহব আৰু আবুলহবৰ ঘৈণীয়েকে

ঘৰে বাহিৰে হজৰতৰ ওপৰত অত্যাচাৰ কৰিবলৈ ধৰিলে। অচল অটল পাহাৰৰ দৰে ধীৰ-স্থিৰহৈ, আকাশৰ দৰে বহল বুকুলৈ উদাৰতা দেখুৱাই আৰু মাটিৰ দৰে শান্ত হৈ সকলো অত্যাচাৰ হজৰতে হাঁহিমুখে বৰণ কৰি মানুহবিলাকক উপদেশ দি থাকিল। তেখেতে মানুহক বুজাই কব ধৰিলে যে, মহাপ্ৰভু আল্লাহতাৱালা বৰ দয়ালু, জ্ঞানী, দাতা, বিচক্ষণ আৰু ক্ষমা কৰোঁতা। মানুহক নিজৰ গুণবোৰেৰে তেওঁ বিভূষিত কৰি পৃথিবীৰ বুকুলৈ পঠিয়ালে। মানুহে নিজৰ চৰিত্ৰক সেই গুণ-বোৰেৰে সজাই শ্ৰেষ্ঠত্বৰ পৰিচয় দিব পৰাটোৱেই মানবতাৰ চিন। পৃথিবীৰ সকলো মানুহ হজৰত আদমৰ (আঃ) সন্তান। ইয়াত কুলীন-আকুলীন, ডাঙৰ-সৰু, উচ্চ-নীচ, ৰজা-প্ৰজা, বাদচাহ-ফকিৰ, মনিব-চাকৰ আৰু গৰীব-ধনী সকলো তেওঁৰ মনত সমান। যিজনে আল্লাহৰ আদেশ মতে ৰচুলৰ চানেকি লৈ জীৱনত আপোন কৰ্ত্তব্যবোৰ সম্পন্ন কৰে তেওঁৱেই শ্ৰেষ্ঠ মানব।

পৃথিবীখনৰ কথা বুজাই হজৰতে কৈছে যে, দুনীয়াখন আখেৰাতৰ খেতি। ইয়াত ৰাতিয়ে দিনে নিজৰ কৰ্ত্তব্যবোৰ পালন কৰা উচিত। মানুহৰ প্ৰতি মানুহৰ কৰ্ত্তব্য, আল্লাহৰ প্ৰতি মানুহৰ কৰ্ত্তব্য আৰু অইন অইন জীৱ-জন্তুৰ প্ৰতি মানুহৰ কৰ্ত্তব্য সম্বন্ধে সজাগ হৈ জীৱন নাৱক উটাই দিব পাৰিলেই জীৱনটো শান্তিৰ আৰু আখেৰাতত পাব মুক্তি। তায়েফ নগৰৰ পৰা উলটি অহাৰ পিচত হজৰত মোহাম্মদে (দঃ) মেৰাজলৈ গৈ আল্লাহতাৱালাৰ মখলুকাতৰ বিৰাট বিৰাট সৃষ্টিবোৰৰ গুপ্ত ৰহস্যবোৰ চাই চিন্তি পূৰ্ণ জ্ঞান লাভ কৰি সৃষ্টিৰ ৰহস্য ভেদ কৰিবলৈ সমৰ্থ হল। হজৰত মোহাম্মদৰ (দঃ) জীৱনটো এটা অলৌকিক জীৱন। তেখেতৰ জীৱনত প্ৰত্যেক মানুহে সিহঁতৰ অন্তৰে বিচৰা কথাবোৰৰ সন্ধান

পাই তেখেতৰ ওচৰত মূৰ দোৱালে। তেখেতৰ আদর্শ চৰিত্ৰত মুগ্ধহৈ বহুতে ইচলাম ধৰ্ম্মত ঈমান আনিলে।

কোনো প্ৰকাৰে হজৰত মোহাম্মদক (দঃ) প্ৰচাৰ কাৰ্য্যৰ পৰা ক্ষান্ত কৰিব নোৱাৰি মক্কাৰ চৰ্দ্দাৰবিলাকে তেখেতক গুপ্তভাবে হত্যা কৰাৰ ষড়যন্ত্ৰ কৰিলে। হজৰতে আল্লাহৰ তৰফৰ পৰা এই কথাৰ ইঙ্গিত পাই তেখেতৰ প্ৰিয় বন্ধু আৰু শ্ৰেষ্ঠ সেৱক হজৰত আবুবকৰে (ৰাঃ) ঘৰলৈ গৈ এই বিষয়ে পৰামৰ্শ কৰিলে। কথা গুৰুতৰ ভাবি হজৰত আবুবকৰে (ৰাঃ) ৰাতিৰ আন্ধাৰত হজৰত মোহাম্মদক (দঃ) লগত লৈ মক্কা নগৰৰ পৰা ওলাই গল। পুৱা হওঁ হওঁতে তেওঁলোক দুয়ো ছওৰ নামৰ এখন পাহাৰৰ এটা গুহাত লুকাই থাকিল। ইপিনে কোৰেছবিলাকৰ ব্যৱস্থা মতে গুপ্তহত্যাকাৰীৰ দলটোৱে মাজৰাতি হজৰতৰ ঘৰৰ দুৱাৰ ভাঙি ভিতৰ সোমাই দেখিল যে, হজৰত ঘৰত নাই। তেখেতৰ বিচনাত হজৰত আলী (ৰাঃ) হে শুই আছে। সিহঁতৰ চিকাৰ কেনিবা পলাই গল। ঘৰটোৰ চুকে কোণে বিচাৰি নেপাই সিহঁতে হতাশ হল। একো উপায় নেদেখি মুখিয়ালবিলাকক খবৰ দিলে। সিহঁতৰ মতলব বিফলে যোৱা দেখি মুখিয়ালবিলাকে বাৰুদৰ দৰে জ্বলি উঠিল। তেখেতক বিচাৰি চাৰিওপিনে মানুহ পঠিয়ালে কিন্তু কতো কোনো ভূ নেপাই সকলোটি দুখে বেজাৰে উলটি আহিল। সেই ছওৰ পৰ্ব্বতৰ নিৰ্জ্জন গুহাত প্ৰিয় বন্ধুৰ সৈতে হজৰতে তিনি দিন লুকাই থকাৰ পিচত ৰাতিৰ আন্ধাৰত ওলাই আহি মদিনা নগৰৰ ফালে ৰাওণা হল। মদিনা পোৱাৰ সময়ত হজৰতৰ বয়স তেপ্পন্ন বছৰ। মক্কাৰ পৰা হজৰতে মদিনালৈ গুচি যোৱাকে হিজৰত বোলে। হিজৰী চনৰ গণনা এই তাৰিখৰ পৰাই আৰম্ভ হৈছে। ৬২২ খৃষ্টাব্দত তেখেতে মদিনাত পদাৰ্পণ কৰে।

হজৰত মোহাম্মদে (দঃ) মদিনা নগৰ পোৱাৰ খবৰ পাই তেখেতৰ মাকৰ ফালৰ আপোন মানুহবিলাকে আদৰ সন্মান দেখুৱাই তেখেতক তেওঁলোকৰ ঘৰলৈ নিলে। তেওঁলোকৰ মাজত আশ্ৰয় পাই হজৰতে মদিনা নগৰকেই নিজৰ কৰ্ম্মক্ষেত্ৰ হিচাবে বাচি ললে । ইয়াত ইচলাম ধৰ্ম্মৰ প্ৰচাৰ কাৰ্য্য পূৰ্ণ উদ্যমেৰে চলোৱাৰ বাতৰি পাই মক্কাৰ কোৰেছবিলাকে মদিনাৰ বিৰুদ্ধে কেইবাবাৰো যুদ্ধ ঘোষণা কৰিলে কিন্তু এখনতো সিহঁতে জয়ী হব নোৱাৰিলে । শেষত সিহঁতে বুজিলে যে, হজৰত মোহাম্মদক (দঃ) হত্যা কৰা নাইবা তেখেতৰ ধৰ্ম্মক বাধা দিয়া অসম্ভৱ কথা—কাৰণ সত্যৰ সদায় জয় ।

হজৰত মোহাম্মদে (দঃ) আনন্দমনে সত্যৰ প্ৰকৃত ৰূপ দেখুৱাই মদিনাৰ মানুহক উপদেশ দি কলে যে, সঙ্গতভাবে পৃথিবীৰ সকলো সুখ-সম্পদ উপভোগ কৰা । লোভৰ মোহত পৰি কেতিয়াও নিজৰ সৃষ্টিকৰ্ত্তাক পাহৰি অন্যায় নকৰিবা। যি মানুহে আল্লাহ আৰু তেওঁৰ ৰচুলৰ ওপৰত ঈমান আনি তেওঁবিলাকৰ আদেশ অনুসৰি জীৱনত কেতিয়াও নিজৰ হাত দুখনক বেয়া কামত লগোৱা নাই, ভৰি দুখনক বেয়া পথত চলোৱা নাই, যিজনৰ মুখৰ পৰা সঁচাৰ বাহিৰে মিছা অশ্লীল কথা ওলোৱা নাই, চকু দুটাই কেতিয়াও আনৰ বস্তুত চকু দিয়া নাই, যিজনৰ অন্তৰখনে কেতিয়াও আনৰ অহিত চিন্তা নাই, নিজৰ জীৱনৰ দৈনন্দিন কৰ্ত্তব্যবোৰ পালন কৰিছে, তেওঁৱেই প্ৰকৃত মুচলমান। এই খন্তেকীয়া জীৱনটো আনৰ উপকাৰৰ বাবে উৎসৰ্গা কৰাটোৱেই মানুহৰ ধৰ্ম্ম। তেখেতৰ সাৰুৱা উপদেশবোৰৰ তাৎপৰ্য্য বুজি পাই আৰু তেখেতৰ চৰিত্ৰত মুগ্ধ হৈ মদিনাৰ মানুহবিলাকে হজৰতৰ ওপৰত ঈমান আনি ইচলাম ধৰ্ম্মৰ

গোৰব বঢ়াব ধৰিলে। আবছিনিয়ালৈ যোৱা মুচলমান-বিলাকে মদিনালৈ গুচি আহি হজৰতৰ কাষ চাপিল। মদিনাৰ মানুহবিলাকে তেওঁলোকক নিজৰ মাটি-জমি দি ঘৰ সাজি দিলে।

হজৰতে মদিনা আহি পোৱাৰ আজি ছবছৰ হল। মক্কাৰ পৰা নিজ মাতৃভূমি এৰি অহা মুচলমানবিলাকে হজৰতক কলে, হুজুৰ আজি ভালেমান দিন হল মাতৃভূমিৰ মুখ দেখা নাই। যদি হজৰতে আদেশ দিয়ে তেন্তে সকলোৱে মিলি এইবাৰ কাবা-শ্বৰিফত গৈ হজ্জ কৰিবলৈ মন কৰিছোঁ। তেওঁলোকৰ উক্ত প্ৰস্তাবত হজৰতে মান্তি হৈ সাজু হবলৈ কলে। নিৰ্দ্দিষ্ট তাৰিখত হজৰতৰ লগত প্ৰায় পোন্ধৰশমান মুচলমানে হজ্জৰ নিয়ত কৰি মক্কালৈ ৰাওণা হল। হজৰতে হজ্জ কৰিবলৈ অহাৰ বাতৰি পাই মক্কাৰ কোৰেছবিলাকে অস্থিৰ হৈ পৰিল। যিজন মানুহৰ নাম সিহঁতে শুনিব নোৱাৰে, যিজনে সিহঁতৰ দেৱ-দেৱীবোৰৰ উপাসনা মিছা বুলি কয়, যিজনে সিহঁতৰ ধৰ্ম্মৰ বিৰুদ্ধে এটা নতুন ধৰ্ম্ম উলিয়াই সিহঁতৰ চলি অহা ৰীতি-নীতিবোৰক নিন্দা কৰি ত্যাগ কৰিবলৈ মানুহক উদ্গনি দিয়ে, তেনে মানুহজনক আৰু তেখেতৰ ধৰ্ম্মত দীক্ষা লোৱা মানুহ-বিলাকক কোনো অৱস্থাতেই কাবা মন্দিৰত আহি হজ্জ কৰিবলৈ নিদিয়াৰ সিদ্ধান্ত ললে।

এই সময়ছোৱাৰ ভিতৰত হজৰতে ভক্ত আৰু শিষ্যবিলাকক লৈ মক্কাৰ পৰা তিনি মাইল দূৰৈত হোদায়বিয়া নামৰ এডোখৰ ঠাইত আহি পাইছোহি। মক্কাৰ অশ্বাৰোহী বীৰবিলাকে আহি হজৰতক কলে যে, তেখেতে এই বছৰ মক্কাত সোমাই হজ্জ কৰিব নোৱাৰিব। যদি ইচ্ছা কৰে তেন্তে অহা বছৰ তেখেত-সকলে হজ্জলৈ আহিব পাৰে। এই কথা কোৱাৰ লগে লগে মুচলমানবিলাকে অধাৰ হৈ হজৰতৰ মুখলৈ চালে। হজৰতে

তেওঁলোকক বুজনি দি শান্ত কৰিলে। আৰবৰ চিৰাচৰিত প্ৰথা অনুসৰি শত্ৰু-মিত্ৰ দোস্ত দুছমন কোনো মানুহকে হজ্জ কৰাৰ পৰা বাধা দিব নোৱাৰিছিল আৰু হজ্জৰ মাহত কোনো প্ৰকাৰ যুদ্ধ নাইবা ৰক্তপাত কৰা নিষেধ আছিল। ঘোৰ শত্ৰু হলেও হজ্জৰ মৌচুমত কোনোৱে কাৰো ক্ষতি কৰিব নোৱাৰাটোৱেই আছিল আৰবৰ নিয়ম।

কোৰেছবিলাকৰ প্ৰস্তাব অনুসৰি হজৰতে মান্তি হৈ সেই হোদায়বিয়া ঠাই ডোখৰতে সিহঁতৰ লগত সন্ধিত আবদ্ধ হৈ এখন সন্ধিপত্ৰ লিখিলে। সন্ধিৰ সৰ্ত্তবোৰ আজিলৈকে বুৰঞ্জীৰ পাতত জিলিকি আছে। এই সন্ধিয়েই যে আচলতে ইচলামৰ ভৱিষ্যত জয়ৰ সূচনা আছিল সেই কথা উপলব্ধি কৰিব নোৱাৰি হজৰতৰ ভক্ত আৰু শিষ্যবিলাকে বেজাৰ মনেৰে মদিনালৈ উলটি গল। মদিনালৈ আহি তেওঁলোকে পিচৰ বছৰৰ হজ্জৰ দিন গণিব ধৰিলে। সময় আহিলত হজৰতে সন্ধিৰ সৰ্ত্ত অনুসৰি আগৰ বাৰতকৈ বেচি মুচলমানক লগতলৈ মক্কাত হজ্জ কৰিবলৈ গল। সৰ্ত্ত অনুসৰি মক্কাত তেখেতসকলে তিনি দিনৰ বেচি থাকিব নোৱাৰাত, নিৰ্দ্ধাৰিত সময়খিনিৰ ভিতৰতে হজ্জৰ সকলো অনুষ্ঠান সম্পন্ন কৰি মুচলমান-বিলাকক লগত লৈ হজৰতে আকৌ মদিনালৈ প্ৰস্থান কৰিলে। মক্কাত এই তিনি দিন অৱস্থান কালছোৱাত হজৰত আৰু তেখেতৰ শিষ্যবিলাকৰ কাৰ্য্যকলাপ, আচাৰ-ব্যৱহাৰ, উপাসনা-আৰাধনা আৰু তেখেতসকলৰ মিলা-প্ৰীতিৰ পদ্ধতিবোৰ দেখি মক্কাৰ মানুহবিলাকে মোহিত হল। ইচলাম ধৰ্ম্মৰ সত্যতা উপলব্ধি কৰি বহুতে আহি হজৰতৰ ওচৰত দীক্ষা ললে আৰু বহুতে যদিওবা ইচলাম ধৰ্ম্ম গ্ৰহণ নকৰিলে তথাপি এই মানব ধৰ্ম্মৰ কথা চিন্তা কৰিবলৈ ধৰিলে।

হজৰতে হজ্জ কৰি মদিনালৈ অহাৰ কেইমাহমান পিচতেই দেখা গল যে, মক্কাৰ কোৰেছবিলাকে সন্ধিৰ সৰ্ত্তবোৰ ভঙ্গ কৰি যিহকে ইচ্ছা তাকে কৰিছে। দেশত নানা ৰকমৰ অৰাজকতাৰ সৃষ্টি হোৱাত সেইবোৰ বন্ধ কৰিবলৈ হজৰতে দহহাজাৰমান মুচলমানক লগত লৈ মক্কাৰ পিনে আগবাঢ়িল। তেতিয়া তেখেতৰ বয়স এষষ্টি বছৰ। ৬৩০ খৃষ্টাব্দত হজৰতে মক্কা নগৰৰ ওচৰ চাপিলত তেখেতৰ ওপৰত অত্যাচাৰ চলোৱা বীৰ আৰু মুখিয়াল চৰ্দ্দাৰবিলাকে মক্কা এৰি পাহাৰে-পৰ্ব্বতে লুকাই আত্মৰক্ষা কৰিলে। বাকী মতা-তিৰোতা, ল'ৰা-ছোৱালীবিলাকে সেই ধৰ্ম্ম বিৰোধী পলাই যোৱা মুখিয়াল চৰ্দ্দাৰসকলৰ ঘৰত গৈ আশ্ৰয় ললে। এনেকৈ মক্কাৰ মানুহৰ মাজত এটা আতঙ্কৰ সৃষ্টি হল। মতা-তিৰোতা, ল'ৰা-ছোৱালীবিলাকৰ কান্দোনত গগণ ভেদ হোৱা যেন লাগিল।

হজৰত মোহাম্মদে (দঃ) বিনা বাধাত মক্কা নগৰত সোমাই প্ৰথমে কাবা ঘৰটিৰ চাৰিওপিনে ঘূৰিব ধৰিলে। তেখেতৰ মনত পৰিল সেই অতীজৰ স্মৃতি—যেতিয়া হজৰত ইব্ৰাহীমে (আঃ) প্ৰিয়পুত্ৰ হজৰত ইচমাইল আলাইহেচ চালামক লগত লৈ একমাত্ৰ মহাপ্ৰভু আল্লাহৰ এবাদত বন্দেগী কৰিবলৈ পৱিত্ৰ কাবা ঘৰটি সাজিছিল। কালৰ পৰিবৰ্ত্তনত মানুহৰ অজ্ঞানতাৰ ফলত আজি সেই পৱিত্ৰ মন্দিৰত এক আল্লাহৰ উপাসনা নহৈ প্ৰত্যেক ফৈদৰ নিজ হাতেৰে গঢ়া দেৱ-দেৱীবোৰৰ পূজা-পাতল হৈ মন্দিৰৰ পৱিত্ৰতা নষ্ট হৈছে।

সেই সময়ত কাবা মন্দিৰত নানা ৰকম দেৱ-দেৱীৰ ছবি আৰু প্ৰায় ৩৬০টা প্ৰতিমূৰ্ত্তি আছিল। সেই প্ৰতিমূৰ্ত্তিবোৰ উলিয়াই হজৰতে কাবা ঘৰটিক ভালকৈ ধুই পেলাবলৈ কলে। কোৱাৰ লগে লগে হজৰত ওমৰে (ৰাঃ) ঘৰটি ধুইধাই পৰিষ্কাৰ

কৰিলে। হজৰতে তেতিয়া চিঞৰি চিঞৰি আল্লাহৰ চুক্‌ৰীয়া আদায় কৰি কব ধৰিলে—যি সৰ্ব্বশক্তিমান আল্লাহে আজি সত্যৰ আলোৱে আৰবৰ আন্ধাৰ দূৰ কৰিবলৈ শক্তি দিলে আৰু যি উদেশ্যলৈ হজৰত ইব্ৰাহীমে (আঃ) প্ৰিয় পুত্ৰ হজৰত ইচমাইলক (আঃ) লগত লৈ এই কাবা ঘৰটি সাজিছিল সেই ঘৰটিৰ পৱিত্ৰতা ৰক্ষা কৰিবলৈ সুবিধা দিলে, সেই মহান আল্লাহৰ লাখো চুক্‌ৰীয়া। শিষ্য আৰু ভক্তবিলাকেও হজৰতৰ লগে লগে চুবহান আল্লাহ চুবহান আল্লাহ পঢ়িব ধৰিলে।

হজৰতে দিগ্বীজয়ীৰ দৰে নগৰত কি কৰিছে মক্কাৰ মানুহে ভয়ত ওলাই নাহি ঘৰৰ খিৰিকিৰে চাব ধৰিলে। তেখেতে আল্লাহতাৱালাৰ চুক্‌ৰীয়া শেষ কৰি মক্কাৰ ৰাইজক সম্বোধন কৰি কলে—ৰাইজ, মই আপোনালোকৰেই এজন সন্তান। পৃথিবীত সকলো মানুহৰ অধিকাৰ সমান। হজৰত আদমৰ (আঃ) সন্তানৰ মাজত ডাঙৰ-সৰু, কুলীন-অকুলীন, ধনী-গৰীব, বাদচাহ-ফকিৰ আৰু বংশমৰ্য্যদাৰ কোনো পাৰ্থক্য নাই। এক পিতাৰ পুত্ৰ হিচাবে আমি সকলোটিয়ে ভাই ভাই। আপোনালোকৰ ভয়ৰ কোনো কাৰণ নাই। আজি আপোনালোক সকলোটিয়েই মুক্ত। আপোনালোক নিজৰ নিজৰ ঘৰলৈকে গুচি যাওকগৈ কিন্তু মনত ৰাখিব যে, প্ৰত্যেক মানুহৰ আত্ম-বিশ্বাস থকা উচিত। আল্লাহতাৱালাই মানুহক আকলদি পয়দা কৰিছে। এই আকল অৰ্থাৎ বিবেকৰ সহায়েৰে প্ৰত্যেকে বুজা দৰকাৰ যে, মানুহে নিজৰ ইচ্ছাত এই পৃথিবীলৈ অহা নাই। আল্লাহতাৱালাইহে মানুহক দুনীয়ালৈ পঠিয়ালে। এই পঠিওৱাৰ ভিতৰত কিবা ডাঙৰ উদ্দেশ্য নিহিত আছে।

আল্লাহৰ সেই উদ্দেশ্যক সফল কৰিবলৈ প্ৰত্যেকে নিজৰ বিবেক বা আকলৰ সহায়ত ৰাতিয়ে দিনে নিজৰ কৰ্ত্তব্য কাম

কৰি খোৱা দৰ্কাৰ। এই কৰ্ম্মৰ নামেই ধৰ্ম্ম। মানুহৰ অন্তৰখন আল্লাহতাৱালাৰ দান। এই অন্তৰক পৱিত্ৰ ৰাখিব নোৱাৰিলে জাৱনত ধৰ্ম্ম-কৰ্ম্ম, এবাদত বন্দেগীয়ে একো কাম নিদিয়ে। মানুহৰ অন্তৰখনেই হৈছে—মৰম, চেনেহ আৰু ঐশ্বৰিক প্ৰেমৰ বাহন। অন্তৰ কলুষিত হলে মৰম, চেনেহ, প্ৰীতি আঁতৰি গৈ সেই ঠাইত হিংসা, অভিমান, লোভ আৰু অহঙ্কাৰ বিৰাজ কৰে। এই দোষবোৰে মানুহক স্বাৰ্থপৰ কৰি মানবতাত কলঙ্ক আনি দিয়ে। গতিকে মনক পৱিত্ৰ ৰাখিবলৈ সদায় যত্নবান হবা। মনক পৱিত্ৰ ৰাখিবলৈ হলে আল্লাহ আৰু তেওঁৰ ৰচুলৰ আদেশ অনুসৰি জীৱনৰ দৈনন্দিন কৰ্ত্তব্য কামবোৰ সম্পন্ন কৰা উচিত। তেতিয়াহে মানুহে মুক্তিৰ দুৱাৰ মুকলি কৰিবলৈ সক্ষম হব। আপোনালোকে ঘৰে ঘৰে গৈ জীৱনৰ মূল্য বুজিবলৈ চেষ্টা কৰিব। ইয়েই মোৰ অনুৰোধ।

৬৩০ খৃষ্টাব্দত হজৰত মোহাম্মদে (দঃ) কোনো বাধা নোপোৱাকৈ গোটেই মক্কা জয় কৰিলে। আজি মক্কাৰ একমাত্ৰ অধিপতি হৈ—তেখেতৰ এনে উদাৰ নীতি, ওখ আদৰ্শ আৰু মহান চৰিত্ৰৰ ৰূপ দেখি সকলোৱে স্তম্ভিত হল। কি আচৰিত মানুহ তেখেত। ইমান লাঞ্ছিত হোৱা মানুহজনৰ কি বিৰাট ক্ষমা। কিমান উদাৰ তেখেতৰ হৃদয়খন। কিমান ডাঙৰ তেখেতৰ ব্যক্তিত্ব। কি অসীম তেখেতৰ ধৈৰ্য্য। কি অগাধ বিশ্বাস তেখেতৰ আল্লাহৰ ওপৰত। এনেকুৱা দৃষ্টান্ত পৃথিবীৰ বুৰঞ্জীত কোনোৱে কেতিয়াও উলিয়াব নোৱাৰিব! মানব ৰূপত এনে শ্ৰেষ্ঠতম চৰিত্ৰৰ আদৰ্শ দেখি মক্কাৰ মানুহবিলাক হজৰতৰ পিনে মুগ্ধ হল। সিহঁতে দলে দলে আহি হজৰতৰ ওচৰত বাইয়ত হৈ ইচলাম ধৰ্ম্মত ঈমান আনিব ধৰিলে। ইচলামৰ সুশীতল ছাঁত মক্কাৰ মানুহে এনেকৈ ঈমান

আনিলত হজৰতে আল্লাহতাৱালাৰ চুকৰীয়া আদায় কৰিলে।

হজৰতে মক্কা বিজয়ৰ পিচত মক্কাতে কেইমাহমান থাক মানুহবিলাকক ধৰ্ম্ম-কৰ্ম্মৰ পদ্ধতিবোৰ শিকাই বুজাই মদিনালৈ গুচি গল। মদিনালৈ গৈ ইচলাম ধৰ্ম্মৰ প্ৰচাৰৰ কাৰণে তেখেতে দূৰ দেশলৈ দূত পঠিয়ালে। ৰোম, মিচৰ, পাৰশ্য ইত্যাদি দেশবোৰৰ মানুহবিলাকে কোৰাণৰ পৱিত্ৰ আল্লাহৰ বাণীবোৰৰ তাৎপৰ্য্য বুজি পাই আৰু হজৰতৰ ভক্ত-বিলাকৰ আদৰ্শ চৰিত্ৰৰ ৰূপবোৰ দেখি মুগ্ধ হৈ পাৰল। সংসাৰৰ লগত যোগাযোগ ৰাখি আধ্যাত্মিক পথত আগবাঢ় যোৱাৰ যি দৃষ্টান্ত তেখেতে মানুহৰ ওচৰত দাঙি ধৰিলে, তেনেকুৱা দৃষ্টান্ত পৃথিবীৰ কোনো মহাপুৰুষে কেতিয়াও দেখুৱা নাই। মানৱতাৰ কাৰণে যিবোৰ গুণ গৰিমাৰ দৰ্কাৰ সেই সকলোবোৰ তেখেতৰ চৰিত্ৰত ফুটি ওলাইছিল। চাকিৰ পোহৰ দেখি ছগাবোৰ যেনেকৈ উৰি আহি চাকিত পৰে, ঠিক তেনেকৈ তেখেতৰ চৰিত্ৰৰ ৰূপ দেখি মানুহে মুগ্ধ হৈ তেখেতৰ ওচৰলৈ দৌৰ আহিল। প্ৰাণৰ খোৰাক বিচাৰি মানুহ ঘৰত থাকিব নোৱাৰা হল। হজৰতৰ দীক্ষা লৈ পৱিত্ৰ ইচলাম ধৰ্ম্ম গ্ৰহণ কৰিহে সিহঁতে শান্তি লাভ কৰিলে।

এনেকৈ অলপ দিনৰ ভিতৰতেই আৰব আৰু আজমৰ দেশ-বোৰ সত্যধৰ্ম্মৰ জ্যোতিত আলোকিত হল। হজৰতে এইবোৰ দেখি শুনি ভাবিলে যে, তেখেতৰ নবুয়তৰ কৰ্ত্তব্য কাম প্ৰায় শেষ হৈ আহিছে। সকলোবোৰ ঠিকঠাক কৰি মক্কা বিজয়ৰ দুবছৰ পিচত ৬৩২ খৃষ্টাব্দত ভক্ত আৰু শিষ্যবিলাকক লগত লৈ শেষবাৰৰ কাৰণে হজৰতে হজ্জৰ নিয়ত কৰি মক্কাশ্বৰীফলৈ গল। হজৰতৰ জীৱনৰ এই শেষ হজ্জকেই “হুজ্জাতুল বেদা” অৰ্থাৎ

বিদায়া হজ্জ বোলে। হজ্জ সমাপণ কৰি হজৰতে সকলোকে সম্বোধন কৰি উপদেশ দিলে যে, হেৰা মানব জাতি— জীৱনটো কৰ্ম্মময় আৰু পৃথিবীখন কৰ্ম্মক্ষেত্ৰ। মানুহ পৃথিবীলৈ আহিছে কৰ্ম্ম কৰিবলৈ। বিবেকৰ কথামতে, আল্লাহ আৰু ৰচুলৰ আদেশ অনুসৰি নিজৰ কৰ্ত্তব্য কৰ্ম্মবোৰ সমাধা কৰাৰ নামেই ধৰ্ম্ম। গৰু-পশুৰ দৰে মানুহে পৃথিবীত শুবলৈ অহা নাই। মৃত্যুৰ পিচত কবৰত জিৰণি লবলৈ বহুতো সময় পাবা। গতিকে যি মানুহে জীয়াই থকা অৱস্থাত যিমান কৰ্ম্ম কৰিব, তেওঁ আল্লাহৰ ওচৰত সিমানেই প্ৰিয় হব। মানুহৰ প্ৰথম আৰু প্ৰধান কৰ্ত্তব্য হল নিজৰ শৰীৰক পৱিত্ৰ ৰখা। পৱিত্ৰ শৰীৰতহে পৱিত্ৰ অন্তৰ বিৰাজ কৰিব পাৰে। হিতাহিত জ্ঞান নথকা গৰু-মহ, কুকুৰ-মেকুৰীয়ে পৱিত্ৰতাৰ মূল্য নুবুজে। মখলুকাতৰ শ্ৰেষ্ঠ জীৱ মানুহে কিয় নিকৃষ্ট জীৱৰ দৰে অপৱিত্ৰ হৈ জীৱন যাপন কৰিব? গতিকে শৰীৰ আৰু মনক সদায় পৱিত্ৰ ৰাখিবলৈ যত্নবান হবা।

শান্তি বিচাৰি দূৰলৈ গৈ কেতিয়াও শান্তি নোপোৱা। শান্তি নিজৰ ভিতৰতে বিৰাজ কৰিছে। প্ৰত্যেকৰ শৰীৰ বহুমুখী ৰিপু আৰু বিভিন্ন ইন্দ্ৰিয়বোৰক নিজৰ বিবেকৰ অধীনলৈ আনি শৃঙ্খলাবদ্ধ কৰি কৰ্ত্তব্যত আগবাঢ়ি যাব পাৰিলেই প্ৰকৃত শান্তিৰ মুখ দেখা পাবা। পৃথিবীৰ প্ৰত্যেকটো বস্তুৱে পৰৰ কাৰণে নিজক উৎসৰ্গা কৰিছে। জোন-বেলিয়ে পৃথিবীক পোহৰ দিছে, আকাশে বৰষুণ দি গছ-পাতক জীয়াইছে, বতাহে সকলো প্ৰাণীক জীৱন দিছে, গছে জীৱ-জন্তুক ফলফুল খুৱাইছে, গৰুৱে মানুহক গাখীৰ দিছে, নদীয়ে মৰুভূমিৰ তৃষ্ণা দূৰ কৰিছে। এনেকৈ সৃষ্টিৰ প্ৰত্যেকে পৰৰ কাৰণে নিজক বিলাই দি সন্তোষ লাভ কৰিছে। এতিয়া

আছ্‌ৰাফুল মখলুকাত, সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ মানুহে আনৰ কাৰণে কিমানখিনি ত্যাগ স্বীকাৰ কৰা উচিত সেই কথা আপোনালোক প্ৰত্যেকে ভাবি চাওক। পৰৰ মঙ্গলৰ কাৰণে জীৱন দান কৰিব পাৰিলেই জীৱন সাৰ্থক হয়। জীৱনক অমৰ কৰি ৰাখিব খুজিলে সৃষ্টিৰ হিতৰ কাৰণে আত্মবলিদান কৰা।

হেৰা মানব জাতি—সাবধান; তোমালোকৰ অধীনত থকা মানুহৰ ওপৰত কেতিয়াও অন্যায় অত্যাচাৰ নকৰিবা। নিজৰ চাকৰ নাকৰৰ ওপৰত খঙ নকৰিবা। কোনো ভুল-ভ্ৰান্তিৰ বাবে সিহঁতক বেয়া ব্যৱহাৰ নকৰিবা। যিটো নিজে ভাল নোপোৱা সিটো অইনক কেতিয়াও নিদিবা। ওচৰ চুবুৰীয়াৰ হক আদায় কৰিবা। পৰৰ বস্তুৰ ওপৰত কেতিয়াও চকু নিদিবা। সিটো আপোনালোকৰ কাৰণে হাৰাম। মাদকদ্ৰব্য কোনো অৱস্থাতেই নাখাবা। ব্যভিচাৰত লিপ্ত নহবা। জীৱনত প্ৰতিজ্ঞা ৰক্ষা কৰিবলৈ চেষ্টা কৰিবা। অইন ধৰ্ম্মৰ মানুহক বেয়া চকুৰে নেচাবা। পৃথিবীত যিমানবিলাক নবী আৰু ৰচুল আহিলে আৰু তেওঁলোকে আল্লাহৰ পৰা যি ধৰ্ম্ম‌‌গ্ৰন্থবোৰ আনিলে সেই সকলোবোৰ বিশ্বাস কৰিবা। কথা আৰু কাৰ্য্যৰ দ্বাৰা কোনো মানুহক কেতিয়াও দুখ নিদিবা। আমানতক কেতিয়াও খিয়ানত নকৰিবা। কোনো মানুহৰ লগত প্ৰৱঞ্চনা নকৰিবা। নিজৰ ল'ৰা-ছোৱালী আৰু বিবীৰ হক আদায় কৰিবা। পৰৰ মাল বস্তুক নিজৰ তেজতকৈ বেচি মূল্য দিবা।

হেৰা মানব জাতি,—মহাপ্ৰভু আল্লাহৰ ওপৰত অগাধ বিশ্বাস ৰাখিবা। তেওঁৰ ৰচুলৰ ওপৰত ঈমান আনি তেখেতে প্ৰচাৰ কৰা আল্লাহৰ বাণীবোৰৰ কথা মতে উপাসনা আৰাধনা

কৰি প্ৰকৃত মানৱতাৰ পৰিচয় দিবলৈ যত্নবান হবা। সৃষ্টিৰ সকলো জীৱক মৰম প্ৰীতিৰ চকুৰে চাবা। সদায় সঁচা কথা কবা। জীৱনত প্ৰত্যেক দিন পাঁচ ওয়াক্ত নামাজ আদায় কৰিবা। নিজৰ মালৰ চল্লিশ ভাগৰ এভাগ বছৰে দুখীয়াক দান কৰি জাকাত দিবা। টকা-পইচাৰ সুব্যৱস্থা থাকিলে জীৱনত এবাৰ হজ্জলৈ আহি আল্লাহৰ পৱিত্ৰ ঘৰটি প্ৰদক্ষিণ কৰিবা। ৰমজান মাহৰ ত্ৰিশটা ৰোজা ৰাখি প্ৰত্যেকে নিজৰ অন্তৰক পৰিষ্কাৰ কৰিবলৈ চেষ্টা কৰিবা। মই কোৱা কথাবোৰ মানি চলিলে কিয়ামতৰ দিনা মই তেওঁক ছাফায়াত কৰি মুক্তি দিয়াম। যিজনে ইয়াৰ ব্যতিক্ৰম কৰে আৰু মই কোৱা কথা-বোৰৰ প্ৰকৃত ৰূপ নিদিয়ে তেওঁ মোৰ উম্মত নহয় আৰু তেওঁ প্ৰকৃত মুচলমান হিচাবে দাবী কৰিব নোৱাৰে।

হজৰতে সকলোকে দিহা পৰামৰ্শ দি নিজৰ মাতৃভূমি মক্কা নগৰক শেষবাৰৰ বাবে চালাম দি ৬৩২ খৃষ্টাব্দত মদিনা নগৰলৈ উলটি গল। বিদায়ী হজ্জত দিয়া তেখেতৰ উপদেশ-বোৰ আজিলৈকে প্ৰত্যেক মুচলমানৰ হৃদয়ত জিলিকি আছে। ৬২২ খৃষ্টাব্দত মক্কাৰ পৰা হিজৰত কৰি নিজ কৰ্ম্ম-ক্ষেত্ৰ মদিনা নগৰত দহবছৰ অৱস্থান কৰি ইচলাম ধৰ্ম্মৰ সকলো আইন কানুন মানুহৰ মাজত বিলাই দি আৰু সকলোকে কৰ্ত্তব্যপৰায়ণ হবলৈ কৈ মিলি সেই ৬৩২ খৃষ্টাব্দৰ শেষ ফালে তেষষ্টি বছৰ বয়সত হজৰতে মদিনাতেই ওফাত হল। তেখেতে বাস কৰা ঘৰটিতেই তেখেতক কবৰ দিয়া হয়। "ইন্না লিল্লাহে ওয়া ইন্না এলাইহে ৰাজেয়ূণ"।

চল্লিশ বছৰ বয়সত হীৰা পৰ্ব্বতৰ নিৰ্জ্জন গুহাৰ পৰা আৰম্ভ কৰি জীৱনৰ শেষ দিনলৈকে মুঠ তেইশ বছৰৰ ভিতৰত হজৰত মোহাম্মদ চাল্লাল লাহু আলায়হে ওয়া

চাল্লামৰ ওপৰত অবতীৰ্ণ হোৱা আল্লাহতাৱালাৰ পৱিত্ৰ বাণীবোৰেই আয়াতে কোৰাণ। হজৰতে অহিৰ পৰা আল্লাহৰ বাণীবোৰ পোৱা মাত্ৰকে আচহাববিলাকক শুনাই দিয়ে আৰু সেই পৱিত্ৰ বাণীবোৰৰ মৰ্ম্মানুযায়ী সকলো মানুহকে নিজ কৰ্ত্তব্য পালন কৰিবলৈ দিহা দিয়ে। হজৰতৰ মুখৰ পৰা পৱিত্ৰ বাণীবোৰ ওলোৱাৰ লগে লগে তেখেতৰ আচহাব অৰ্থাৎ সহচৰবিলাকে আল্লাহৰ সেই বাণীবোৰ কণ্ঠস্থ কৰি লয়। গোটেই কোৰাণখনক কণ্ঠস্থ বা মুখস্থ কৰা মানুহবিলাকক "হাফেজ" বোলে। হজৰতে জীয়াই থকা অৱস্থাত তেখেতৰ ওপৰত অবতীৰ্ণ হোৱা প্ৰত্যেকটি কোৰাণৰ আয়াত আচহাববিলাকৰ হৃদয়ত গাঁথা আছিল। তেখেতৰ ওফাতৰ পিচত প্ৰথম খলিফা হজৰত আবুবকৰৰ (ৰাঃ) খিলাফত কাল-চোৱাত ইয়ামামাৰ যুদ্ধত বহুতো হাফেজৰ মৃত্যু হয়। ইয়াকে দেখি হজৰত আবুবকৰে (ৰাঃ) চিন্তিত হৈ পৰিল আৰু এই বিষয় হজৰত ওমৰ আৰু ওচমানৰ (ৰাঃ) সৈতে পৰামৰ্শ কৰিলে। সকলোটিয়ে বহি পৰামৰ্শ কৰি জীয়াই থকা হাফেজবিলাকৰ পৰা আল্লাহৰ পৰা অবতীৰ্ণ হোৱা পৱিত্ৰ বাণীবোৰক লিপিবদ্ধ কৰি কিতাপ আকাৰত উলিয়ালে। এই মহামূল্য সত্যৰ পথ প্ৰদৰ্শক গ্ৰন্থখনেই হল মানুহৰ জীৱনৰ পৱিত্ৰ ধৰ্ম্মগ্ৰন্থ কোৰাণশ্বৰীফ।

হজৰতে জীৱনত যিবোৰ কথা কৈছিল, যিবোৰ কাম তেখেতে নিজে কৰিছিল আৰু আন মানুহৰ কথা নাইবা কাৰ্য্য যিবোৰ তেখেতে অনুমোদন কৰিছিল, সেইবোৰেই হাদিছ। তেখেতৰ ওফাতৰ পিচত ইমাম বোখাৰী, ইমাম মোচলেম, আবুদাউদ, তিৰমিজি, এবনে মাজা আৰু ইমাম নেচায়ী ইত্যাদি ৰহমাতুল্লাহ আলাইহিমে দেশে-বিদেশে ঘুৰি

ফুৰি হজৰতে কোৱা, কৰা আৰু অনুমোদন কৰা কথাবোৰক লিপিবদ্ধ কৰি হাদিছৰ কিতাপ আকাৰত উলিয়াই মানুহৰ হাতত দিলে। ওপৰত কোৱা এই পৱিত্ৰ কোৰাণ আৰু হাদিছৰ মৰ্ম্মানুসাৰে চলিব পাৰিলে মানুহে পাব এই জগতত শান্তি আৰু আখেৰাতত মুক্তি।

হজৰত মোহাম্মদৰ (দঃ) জীৱনটো আছিল এক আদৰ্শ জীৱন। তেখেতৰ জীৱনৰ বৈশিষ্ট্য হল যে, তেখেতে প্ৰত্যেকটো উপদেশ কাৰ্য্যৰ যোগেৰে মানুহক নিজেই কৰি দেখুৱালে। তেখেতৰ চৰিত্ৰই আছিল কোৰাণ আৰু তেখেতৰ চৰিত্ৰই আছিল বিধান। তেখেতৰ ব্যক্তিত্ব, উদাৰতা, ক্ষমা, সহিষ্ণুতা, ধৈৰ্য্য, একাগ্ৰতা, আত্মবিশ্বাস, সাধনা, ভজনা আৰু আদৰ্শ চৰিত্ৰৰ ৰূপ দেখি পৃথিবীৰ সকলো মানুহে মুগ্ধ হল। তেখেতৰ খন্তেকীয়া জীৱনৰ কালচোৱাৰ ভিতৰতে মানুহৰ মাজত চলি অহা ভেদাভেদবোৰ আঁতৰি গৈ দেশে-বিদেশে ইচলামৰ চাকি জ্বলি উঠিল।

হজৰতৰ জীৱনৰ ভাল ভাল বহুতো শিক্ষামূলক কাহিনী আছে। কেতিয়াবা সুবিধা পালে কম বাৰু। আজি তেখেতক চালাম দি ইয়াতেই বিদায় ললোঁ। "আল্লাহুম্মা চাল্লে আল্লা চৈয়দেনা মওলানা মোহাম্মদ ওয়া বাৰেক ওয়া চাল্লেম"।